ব্যংগ ৰচনা ঃ

# বানপানী




**গণেশ বৰ্মন**

সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

□ □ □

**আচলতে মোৰ নিজকে কেতিয়াবা খুব অপৰাধী যেন লাগে। ইমানবোৰ বেয়া কাম কৰোঁ ! মানুহৰ ক্ষতি কৰোঁ! কিন্তু কি কৰি? মোক প্ৰকৃতিয়ে যেনেকৈ সৃষ্টি কৰিছে, মইতো তেনেদৰেই আচৰণ কৰিব লাগিব। মোক বাধা নিদিলে মইতো ধ্বংসাত্মক কাৰ্য কৰিমেই।**

□ □ □

মই বানপানী। দেখিছে চাগে'। অৰিজিনেলি নেদেখিলেও টিভিৰ পৰ্দাততো দেখিছে। বাদ দিয়কনা 'অৰিজিনেল' শব্দটো। গাখীৰত ভেজাল, মাংসত ভেজাল, পানীত ভেজাল, দেশপ্ৰেমত ভেজাল, ৰাজনীতিত ভেজাল, বৰষুণত ভেজাল, নদী-সাগৰ-মহাসাগৰত ভেজাল, সকলোতে ভেজাল। গতিকে আপুনি টিভিত দেখিছে যেতিয়া হৈ যাব। দেখা বুলিয়ে ধৰিলোঁ। বুজি পাইছেই চাগে' মোৰ 'পাৱাৰ'। কোকৰাঝাৰৰ গোষ্ঠী সংঘৰ্ষৰ দৰে ময়ো আশ্ৰয় শিবিৰলৈ মানুহক যাবলৈ বাধ্য কৰিব পাৰোঁ। কাণত কাণফুলি পিন্ধা, হাতত মস্ত এপাট খাৰু, দীঘল চুলিৰ ষ্টেজত বান্দৰামি কৰা তথাকথিত গায়কবোৰৰ দৰে ময়ো গুৰু-গোঁসাই নামানি য'লৈ-ত'লৈ যাব পাৰোঁ। এইবাৰতো ডাইৰেক্ট মাজুলী সত্ৰলৈকে গৈছিলোঁ। ৰাজনৈতিক নেতাৰ আশিস লগত থাকিলে কোনে মোক ৰোধিব পাৰে!

এয়া অসম। মোৰ ভাতঘৰ। ইয়াৰ কিছুমান নেতাই মোক যিমান চেনেহ কৰে, তাৰ তুলনা নাই। তেওঁলোকৰ বাবেই মই বাচি আছোঁ। মই সাধাৰণতে ওখ ঠাইলৈ নগৈ তাৰ মানুহক দয়া কৰোঁ গুণ্ডাই গুণ্ডাগিৰি নকৰাকৈ পুলিচক কৰা দয়াৰ দৰে। চিলিণ্ডাৰৰ ব্লেক মাৰ্কেটৰ নিচিনা মোৰো এখন ব্লেক মাৰ্কেট গঢ়ি উঠিছে। এই মাৰ্কেটত মন্ত্ৰীবোৰে আগস্থান পায়। এতিয়া আহোঁ মোৰ পৰিয়াললৈ। মোৰ পৰিয়াল বুলিবলৈ মাত্ৰ তিনিটা প্ৰাণী। ভৱিষ্যতে আৰু কেইটামান ভূমিস্থ হোৱাৰ হাণ্ড্ৰেড এণ্ড টেন পাৰ্ছেণ্ট চান্স আছে। এই তিনিটা প্ৰাণী হ'ল —কৃত্ৰিম বানপানী, প্ৰাকৃতিক বা নেচাৰেল বানপানী আৰু মানৱসৃষ্ট বানপানী।

কৃত্ৰিম বানপানী গুৱাহাটী মহানগৰীৰ মানুহৰ এটা ডাঙৰ প্ৰব্লেম। মন্ত্ৰীৰ টেবুলত বিভাগীয় ফাইল 'জাম' (জমা) হোৱাৰ দৰে নলা-নৰ্দমাবোৰ জাম হোৱাৰ বাবে কৃত্ৰিম বানপানী হয়। এই বান অৱশ্যে বেছিদিন নাথাকে বিৰোধী দলৰ চিঞৰ-বাখৰৰ দৰে। চাৰি-পাঁচদিনতে শুকাই যায়। অ' ছ'ৰি, আপোনাক এটা কথা কোৱাই নাই নহয়। এই যে মোক ঘৰত মৰমতে 'বান' বুলি মাতে। কিছুমানে ফুলফৰ্মত 'অসমৰ বানপানী' বুলিও মাতে।

নেচাৰেল বান সাধাৰণতে 'ছিজন'ত হয়। সাধাৰণতে জুন মাহৰপৰা জুলাই মাহলৈ এই বান হয়। এই বানৰ চোক কনিষ্ঠ মন্ত্ৰীৰ মুখখনৰ নিচিনা 'হাই-ফাই'। এই বাণত মানুহ-দুনুহ, গৰু-ম'হ, ঘৰ-দুৱাৰ সকলো উটুৱাই নি সাগৰত পেলাব পাৰোঁ। মথাউৰিবোৰ চৰকাৰে কৰা গণতান্ত্ৰিক আন্দোলনবোৰৰ দৰে খণ্ড-বিখণ্ড কৰি দিব পাৰোঁ। ময়ো অসমৰ মন্ত্ৰীয়ে একে পাৰ্টিৰ মন্ত্ৰীৰ ভোটবেংক খহোৱাৰ দৰে গৰাখহনীয়া সৃষ্টি কৰিব পাৰোঁ। হেজাৰ হেজাৰ হেক্টৰ মাটি খহাই সেইবোৰ অধিকাৰ কৰি লওঁ বাংলাদেশীয়ে ৰিজাৰ্ভবোৰত কৰা বেদখলৰ নিচিনা। হেঃ হেঃ হেঃ এয়া অকল মোৰে কৃতিত্ব নহয়, চৰকাৰো সমানে ধন্যবাদৰ পাত্ৰ। বাৰিষা মোৰ কামৰ উদ্যম বাঢ়ে। বান ৰোধৰ বাবে দুৰ্বল মথাউৰি বন্ধা হয়, যাতে মই খহাই অহাবাৰ পুনৰ মথাউৰি বন্ধাৰ সুযোগ দিব পাৰোঁ। মোক মন্ত্ৰী, এম. এল. এ., বিষয়া, ঠিকাদাৰ সকলোৱে ভাল পায়। মোৰ ছিজনত সিহঁতে দুপইচা ঘটিব পাৰে। ছুইজাৰলেণ্ডৰ বেংকবোৰ আছে বুলিহে, নহ'লে মন্ত্ৰীবোৰৰ অৱস্থা চি. বি. আই.ৰ ভয়ত সিংহৰ আগত শহাৰ নিচিনা হ'লহেঁতেন। উঃ ৰক্ষা, ভগৱানে যে সেই বেংকবোৰ সাজিছে! হিংসা লাগিছে নেকি আপোনাৰ? নাই লগা? বঢ়িয়া। আপোনাৰ নিচিনা শ্ৰোতা পালে এই বহুবক্তীৰ মুখখন জাপেই নাথায়। কি কৰিব আৰু উপায় নাই। সুবিধা পালেই মোৰ কথা কওঁ। কৈ ভাল লাগে চৰকাৰৰ নেতাবোৰৰ দৰে। নিজৰ গুণ-গান কৰা ঢংটো আমি তেওঁলোকৰপৰাই শিকিছোঁ।

এই যে পাবত গজা লিডাৰবোৰ, তেওঁলোকে যে বন্ধ দিয়ে, বন্ধ চাকচেচ কৰিবলৈ যে টায়াৰ জ্বলায়, গাড়ী ভাঙে, সাংবাদিকৰ কেমেৰা কাঢ়ি নি আহত কৰে, তেওঁলোকৰ নিচিনা কিছুমান মানুহক বিভিন্ন বোৰ্ডত নিযুক্তি দি ভৱিষ্যৎ নেতা হোৱাৰ পথ প্ৰশস্ত কৰি দিওঁ। এই বোৰ্ডত কোটি কোটি টকাৰ লেনদেন হয়। কম্বলৰ দোকানী, পচা চাউল বেচা মাৰোৱাৰী, ম্যাদ উকলা ঔষধ কোম্পানী, সকলোৱে মোক অধীৰ আগ্ৰহেৰে বাট চাই ৰয়। মোৰ চোক বেছি হোৱাৰ লগত তেওঁলোকৰ ঘৈণীয়েকৰ উপহাৰৰ তালিকা বেলেগ বেলেগ হয়। এনে মৰম মইনো উপেক্ষা কৰোঁ কেনেকৈ বাৰু! সেয়ে বছৰত আজিকালি পাঁচ-ছয়বাৰ তেওঁলোকক চান্স দিওঁ। মন্ত্ৰিত্ব নোপোৱা এম. এল. এ.কেইটাক বিভিন্ন বিভাগত দিয়া নিযুক্তিৰ দৰে।

এতিয়া আহোঁ শেষ দৃশ্যলৈ। মানৱসৃষ্ট বানপানী হৈছে মানুহে নিজে কৰা বানপানী। ধনীক বণিয়া শ্ৰেণী (ব্যৱসায়ী)ৰ স্বাৰ্থৰ বাবে বিদ্যুৎ উৎপাদন কৰা বৃহৎ নদীবান্ধৰ এৰি দিয়া পানীয়ে হ'ল মানৱসৃষ্ট বানপানী। বুজিলে? নুবুজিবৰ একো নাই। পইচা দিলে চাকৰি হোৱাৰ নিচিনা বা এ. পি. এছ. চি. পাছ কৰাৰ নিচিনা ফট্‌ফটীয়া কনচেপ্ট।

মোৰ আন কিছুমান কথা নক'লে কাঁইটীয়া বেৰৰ দৰে এই আলোচনা আধৰুৱা হৈ ৰ'ব। মই শস্যপথাৰ পলস পেলাই সাৰুৱা কৰোঁ। তাত শস্য নদন-বদন হয়। দুই-এজন ভাল ৰাজনৈতিক নেতাই মানুহৰ বাবে দুখ কৰে। মোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ চেষ্টা কৰে। মই মানুহৰ দুখ-হুমুনিয়াহ বুজি পাওঁ। সেয়ে কেতিয়াবা বাঁহ-কাঠ, মাছ, টকাৰ বাণ্ডিল আদি উটুৱাই আনি মানুহক দিওঁ। অবৈধ টকা এনেদৰে উটুৱাই আনি মোৰ ভালো লাগে। এটা কথা কি জানে? আচলতে মোৰ নিজকে কেতিয়াবা খুব অপৰাধী যেন লাগে। ইমানবোৰ বেয়া কাম কৰোঁ! মানুহৰ ক্ষতি কৰোঁ! কিন্তু কি কৰি? মোক প্ৰকৃতিয়ে যেনেকৈ সৃষ্টি কৰিছে, মইতো তেনেদৰেই আচৰণ কৰিব লাগিব। মোক বাধা নিদিলে মইতো ধ্বংসাত্মক কাৰ্য কৰিমেই। গতিকে মোক ৰোধ কৰাৰ চেষ্টা কৰা উচিত। ৰাজনৈতিক নেতাবোৰে মোৰ কথা শুনিবনে? নে অসম চুক্তিৰ দৰে মোক লৈ ৰাজনীতি কৰিব? ❖❖❖

# কোকিলকণ্ঠী গায়িকা দীপালী বৰঠাকুৰ ঃ সুখ-দুখৰ একা-বেঁকা পথেদি

শিখাৰাণী ডেকা, মণিকা দাস
স্নাতক তৃতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান)

সোণৰ খাৰু নেলাগে মোক, চেনাই মই ষাওঁ দেই, কণমান বৰশীৰে চিপ আদি বহু মনপৰশা আৰু হৃদয় জুৰোৱা গীত শুনিলেই কোকিলকণ্ঠী গায়িকাগৰাকীৰ কথা মনলৈ আহে। ভাহি উঠে হাস্যমুখৰ শিল্পীগৰাকীৰ উজ্জ্বল মুখখন। সংখ্যাত কম হ'লেও এমুঠি চিৰসেউজ গীতেৰে সংগীতৰ বিশাল ক্ষেত্ৰখনত অপ্ৰতিদ্বন্দ্বী হৈ থকা দীপালী বৰঠাকুৰৰ কণ্ঠস্বৰ থমকি ৰ'লেও কিন্তু তেওঁৰ প্ৰতি থকা সকলোৰে মৰম আৰু শ্ৰদ্ধা কোনোগুণে কম হোৱা নাই। বৰং বহুগুণে বৃদ্ধিহে পাইছে। উঠি অহা প্ৰজন্মৰ মাজতো তেওঁ সমানে জনপ্ৰিয় আৰু সমাদৃত। তেওঁৰ কালজয়ী গীতসমূহ আজিও সকলোৰে মুখে মুখে। অসমৰ সংগীত জগতখনক নিজৰ সোণালী কণ্ঠেৰে মহীয়ান কৰা দীপালী বৰঠাকুৰৰ কণ্ঠ আদবাটতে থমকি নোৰোৱা হ'লে হয়তো আজি বিশ্বৰ সংগীত জগতত তেওঁৰ কণ্ঠই তোলপাৰ লগালেহেঁতেন। এয়া অসমৰ বাবেই নহয়, সমগ্ৰ সংগীত জগতৰ বাবেই দুখৰ বিষয়। ১৯৬৯ চনৰপৰা চিৰদিনৰ বাবে কণ্ঠ ৰুদ্ধ হৈ পৰা শিল্পীগৰাকীয়ে মাথোঁ কেইটামান বছৰতে গীত গোৱাৰ সুবিধা পালে। কিন্তু সেইকেইটা বছৰত তেওঁ যি অৱদান আগবঢ়ালে, সেয়া অসমৰ সংগীত জগতত চিৰযুগমীয়া হৈ থাকিব। তাত কাৰো সন্দেহ নাই। ভয়ানক স্নায়ৱিক ৰোগে শিল্পীগৰাকীৰ কণ্ঠ চিৰদিনৰ বাবে ৰুদ্ধ কৰিলে। অসমেও হেৰুৱালে বিশ্ববাসীৰ ওচৰত গৌৰৱ কৰিব পৰা এটা সোণালী কণ্ঠ। অৱশ্যে দীপালী বৰঠাকুৰৰ দৰে এগৰাকী গায়িকাক পোৱাটো অসমৰ বাবে সৌভাগ্যৰ বিষয়।

১৯৪১ চনৰ ৩১ জানুৱাৰীত শিৱসাগৰৰ ম'হখুঁটিত জন্মগ্ৰহণ কৰা দীপালী বৰঠাকুৰৰ পিতৃ বিশ্বনাথ বৰঠাকুৰ আৰু মাতৃ চন্দ্ৰকান্তি দেৱী। মাথোঁ ৪৪ বছৰ বয়সতে কেইবাখনো চাহ বাগিচাত চাকৰি কৰা বিশ্বনাথ বৰঠাকুৰৰ হঠাতে মৃত্যু হোৱাত শিৱসাগৰৰ ককা-আইতাকহঁতৰ তালৈ গোটেই ঘৰখন গুচি অহাত তাতেই ডাঙৰ-দীঘল হ'ল দীপালী বৰঠাকুৰ। ঘৰখনতে সংগীতৰ বাতাৱৰণ লাভ কৰা দীপালী বৰঠাকুৰে শিশু অৱস্থাতে সংগীতৰ প্ৰেমত পৰে। শৈশৱতেই তেওঁৰ কণ্ঠৰপৰা নিগৰিছিল গীত। আইতাকৰপৰা শোৱাপাটীতে শুনিছিল বৰগীত। মাকৰ মুখতো শুনিছিল আইনাম, বিয়ানাম আদি। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতে মাত্ৰ ৫ বছৰতে 'দীপশিখা মইনা মেল'ৰ চ'ৰাত এটা গীত গাই তেওঁ সংগীতৰ ক্ষেত্ৰখনত খোজ দিছিল। দীপালী বৰঠাকুৰে ৬ বছৰতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগানত তেওঁৰ বাইদেৱেকৰ ঘৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্য পাইছিল। কণমানি দীপালী বৰঠাকুৰৰ কণ্ঠ শুনি মুগ্ধ হৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁক গীত শিকোৱাৰ উপৰি নাচো শিকালে। ককায়েক ভূপেন বৰঠাকুৰ আৰু ভবেন বৰঠাকুৰে দীপালী বৰঠাকুৰক সংগীতৰ ক্ষেত্ৰখনত আগুৱাই যোৱাৰ ক্ষেত্ৰত বিশেষ অনুপ্ৰেৰণা যোগাইছিল। আনহাতে, ব্ৰজেন বৰুৱাই তেওঁলোকৰ ঘৰলৈ মাজে-সময়ে ফুৰিবলৈ যোৱাৰ সময়তে কেশৱ মহন্ত ৰচিত দুটা গীত "তুন তুন কণমান আহা" "আৰু অ' আই অ' আই আমাৰ কপালতে ৰঙা সেন্দুৰেৰে তিলক আঁকি দিয়া" তেওঁক শিকাইছিল। তেতিয়া দীপালী বৰঠাকুৰৰ বয়স মাত্ৰ এঘাৰ বছৰ। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী দীপালী বৰঠাকুৰে জীৱনত প্ৰথমবাৰৰ বাবে মইনা মেলত এই গীত দুটা আনুষ্ঠানিকভাৱে সুন্দৰকৈ পৰিৱেশন কৰিলে। অতুল শৰ্মাৰপৰা শাস্ত্ৰীয় সংগীতৰ শিক্ষা লাভ কৰা দীপালী বৰঠাকুৰে পৰাগধৰ চলিহাৰ সান্নিধ্য পায়ো সংগীতৰ প্ৰতি অধিক আকৰ্ষিত হৈছিল। মোমায়েকৰ ঘৰত থাকি শিৱসাগৰৰ ফুলেশ্বৰী হাইস্কুলত নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই তেওঁ নিজৰ কোকিল কণ্ঠৰ পৰিচয় দিবলৈ

সক্ষম হৈছিল। সেই সময়ত শিৱসাগৰত পৰাগ চলিহাৰ 'চাৰি হাজাৰ বছৰত অসম' শীৰ্ষক আলেখ্যত গীত পৰিৱেশন কৰি দীপালী বৰঠাকুৰ চকুত পৰিছিল আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক ড° এ. এম. নাটেছ আৰু অনুষ্ঠান কাৰ্যবাহী ফণী তালুকদাৰৰ। সেয়া ১৯৫৬ চনৰ কথা। দীপালী বৰঠাকুৰৰ সুললিত কণ্ঠত অভিভূত হৈ ড° নাটেছ আৰু তালুকদাৰে অডিশ্বন নিদিয়াকৈয়ে তেওঁক আকাশবাণীত গীত পৰিৱেশনৰ সুবিধা কৰি দিয়ে। দীপালী বৰঠাকুৰে আকাশবাণীত গীত পৰিৱেশন কৰা প্ৰথম গীতটো আছিল লীলা গগৈৰ "অ' বোপাই লাহৰী, নাপাইছোঁ আহৰি। লগতে তেওঁ এটা লক্ষ্মীনামো পৰিৱেশন কৰিছিল। আকাশবাণীত তেওঁৰ প্ৰথমে অস্থায়ী শিল্পীৰূপে গীত পৰিৱেশন কৰিছিল যদিও পিচত বাছনিত উত্তীৰ্ণ হৈ নিয়মীয়া শিল্পীৰূপে স্বীকৃতি লাভ কৰে। নিয়মীয়া শিল্পী হিচাপে তেওঁ আকাশবাণীত পৰিৱেশন কৰা প্ৰথম গীতটো আছিল ৰুদ্ৰ বৰুৱাৰ "বন্ধু, সময় পালে আমাৰ ফালে এবাৰ আহি যাবা।" তেতিয়াৰপৰাই অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া গায়িকা হিচাপে তেওঁ গীত গালে আৰু সংগীতপ্ৰেমীৰ মাজত নিজৰ এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হ'ল। প্ৰৱেশিকা পৰীক্ষাৰ পিচতে দীপালী বৰঠাকুৰে প্ৰথমবাৰৰ বাবে ছবিত গীত গোৱাৰ বাবে আমন্ত্ৰণ লাভ কৰে। প্ৰাগজ্যোতি কলা পৰিষদৰ বেনাৰত লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাত নিৰ্মিত লাচিত বৰফুকন (১৯৬১) নামৰ ছবিখনত দীপালী বৰঠাকুৰে নেপথ্য গায়িকা হিচাপে "আবেগৰ বোকোচা ব'ব মই নোৱাৰোঁ, যৌৱনে আমনি কৰে" শীৰ্ষক গীতত কণ্ঠ দিয়ে। জনপ্ৰিয় এই গীতটোৰ ৰচনা ক্ষীৰদাকান্ত বিষয়াৰ। ছবিখনৰ আন দুটামান গীতত তেওঁ আন কণ্ঠশিল্পীৰ সৈতে কণ্ঠ দিছিল। সেই সময়তে তেওঁ ভোগালী আৰু ৰঙালী নামৰ দুখন সংগীতালেখ্যতো কণ্ঠ দিছিল। ১৯৫১ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ দীপালী বৰঠাকুৰে কটন কলেজত আই. এ. পঢ়িবৰ বাবে গুৱাহাটীলৈ আহে। গুৱাহাটীলৈ আহি তেওঁ বীৰেন্দ্ৰ কুমাৰ ফুকন আৰু জিতেন দেৱৰ ওচৰত সংগীতৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। কটন কলেজত পঢ়ি থকা অৱস্থাত দীপালী বৰঠাকুৰৰ সাংগীতিক জীৱনৰ বেছিকৈ প্ৰসাৰ হয়। ফণী তালুকদাৰ, লক্ষ্যহীৰা দাস, অপূৰ্ব দাস, বলেন হাজৰিকা, মুকুল বৰুৱা, ৰুদ্ৰ বৰুৱা, বীৰেন্দ্ৰ নাথ দত্ত, পুৰুষোত্তম দাস, নিৰ্মলপ্ৰভা বৰদলৈ আদি ব্যক্তিৰ সান্নিধ্যই তেওঁক অধিক উৎসাহিত কৰে। ৰুদ্ৰ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ উপৰি ককায়েক ভবেন বৰঠাকুৰৰ বহু গীত দীপালী বৰঠাকুৰে নিজৰ কোকিল কণ্ঠেৰে জনপ্ৰিয় কৰি তুলিছে। ১৯৬১ চনত কলকাতাত আয়োজন কৰা ৰেডিঅ' সংগীত সপ্তাহত দীপালী বৰঠাকুৰে ৰুদ্ৰ বৰুৱা আৰু হেমেন হাজৰিকা ৰচিত আৰু সুৰাৰোপিত দুটা গীতেৰে অংশগ্ৰহণ কৰোঁতে বিখ্যাত ৰেকৰ্ডিং কোম্পানী এইচ. এম. ভি.য়ে নতুন প্ৰতিভাৰ সন্ধান বিচাৰি আহি অসমীয়া গীত গোৱা দীপালী বৰঠাকুৰক আৱিষ্কাৰ কৰে। এইচ. এম. ভি.য়ে দীপালী বৰঠাকুৰ মিঠা সুৰীয়া কণ্ঠত ১৯৬২ চনত প্ৰথমখন গ্ৰামোফোন ৰেকৰ্ড উলিয়ায়, য'ত আছিল ড° নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত আৰু ভবেন বৰঠাকুৰ সুৰাৰোপিত 'সোণৰ খাৰু নেলাগে মোক বিয়াৰ বাবে আই' নামৰ বিখ্যাত গীতটি। দীপালী বৰঠাকুৰৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডযোগে এইচ. এম. ভি.য়ে মুঠ ষোল্লটি গীত উলিয়ায়। প্ৰতিটো গীতেই চিৰযুগমীয়া হৈ ৰ'ল। কিন্তু দুখৰ বিষয় যে, জীৱনৰ ভৰপক সময়তে তথা সংগীতৰ ক্ষেত্ৰখনত জনপ্ৰিয়তাৰ শীৰ্ষত উপনীত হোৱাৰ সময়তে দীপালী বৰঠাকুৰে মটৰ নিউৰনৰ দৰে এটা দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হয়। ফলত তেওঁৰ সুললিত কণ্ঠ চিৰদিনৰ বাবে হেৰাই গ'ল। বহু চিকিৎসা কৰাৰ পিচতো তেওঁৰ সুৰীয়া কণ্ঠ আৰু ঘূৰি নাহিল। ১৯৬৮ চনত মুকুল বৰুৱাৰ প্ৰযোজনাত লীলা গগৈয়ে লিখা দুটা গীত 'সুৰৰ শৰাই' আৰু 'লুইতে নেযাবি অ'... ৰেকৰ্ডিং কৰি থাকোঁতে হঠাতে দীপালী বৰঠাকুৰে অস্বস্তি অনুভৱ কৰে। পিচত গম পোৱা গ'ল যে, তেওঁৰ স্নায়ু জটিল মটৰ নিউৰন ৰোগত আক্ৰান্ত হৈছে। অসুস্থতাৰ মাজতে প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে তেওঁ বিবাহপাশত আবদ্ধ হয়। চিকিৎসাৰ বাবে কলকাতালৈ যাওঁতে আছাম হাউছত সাক্ষাৎ হোৱা নীলপৱন বৰুৱাৰ সৈতে ১৯৭৬ চনৰ ৭ মাৰ্চত তেজপুৰত দীপালী বৰঠাকুৰৰ বিবাহ সম্পন্ন হয়। দুয়োজনেই ইজনে-সিজনৰ পৰিপূৰক হিচাপে জীৱন নিৰ্বাহ কৰি আহিছে। ১৯৮০ চনৰ ২৯ ফেব্ৰুৱাৰীত নীলপৱন বৰুৱাই দীপালী বৰঠাকুৰক গুৱাহাটীৰ বেলতলাস্থিত সৌৰভনগৰৰ নিজা বাসভৱনলৈ লৈ আহে। পদ্মশ্ৰী সন্মানেৰে সন্মানিত দীপালী বৰঠাকুৰে সুখ-দুখৰ মাজতে স্বামী নীলপৱন বৰুৱাৰ সৈতে জীৱন অতিবাহিত কৰি আহিছে। বয়সৰ লগে লগে দুয়োগৰাকী শিল্পীয়ে ৰোগৰদ্বাৰা আক্ৰান্ত হৈ কিছু কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছে। শাৰীৰিক অসুস্থতাই যেন দুয়োজনকে সাঙুৰি লৈছে। অৱশ্যে শাৰীৰিক দুখ-যন্ত্ৰণাৰ মাজতো দীপালী বৰঠাকুৰৰ চকুৰে-মুখে লাগি থকা সেই মিঠা হাঁহিটো এতিয়াও আগৰ দৰেই অম্লান হৈ আছে। জীৱনৰ কোনো দুখ-যন্ত্ৰণা আৰু হতাশাই কাঢ়ি নিব পৰা নাই তেওঁৰ সেই অকৃত্ৰিম হাঁহি। প্ৰগাঢ় প্ৰেম আৰু গভীৰ বিশ্বাসেৰে তেওঁক আঁকোৱালি ৰখা স্বামী প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ হাতত ধৰি তেওঁ বাস্তৱৰ একা-বেঁকা পথেদি আগবাঢ়ি গৈছে। ❖❖❖



# অন্তৰংগ আলাপ



কোকিলকণ্ঠী গায়িকা দীপালী বৰঠাকুৰ। সংগীত জগতত অপ্ৰতিদ্বন্দ্বী। জীৱনৰ কোনো দুখ-যন্ত্ৰণা আৰু হতাশাই কাঢ়ি নিব পৰা নাই তেওঁৰ অকৃত্ৰিম হাঁহি। প্ৰগাঢ় প্ৰেম আৰু গভীৰ বিশ্বাসেৰে তেওঁক আঁকোৱালি ৰখা স্বামী প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ হাতত ধৰি তেওঁ জীৱনৰ পথত আগবাঢ়ি গৈছে। ৰং-তুলিকাত জীৱনৰ ছন্দ আনন্দ লাভ কৰা চিত্ৰকলাৰ জগতত পৰিচিত আৰু শ্ৰদ্ধাৰ এটা নাম নীলপৱন বৰুৱা। যাৰ হাতৰ পৰশত ৰং-তুলিকাৰে প্ৰাণ পায় নানান শিল্পকৰ্মই। সৃষ্টিৰ সন্ধানত থকা এইগৰাকী স্বনামধন্য শিল্পীয়ে সুদীৰ্ঘ সময় ধৰি অবিৰতভাৱে অব্যাহত ৰাখিছে নিজৰ সাধনা কৰ্ম। বয়স আৰু শৰীৰে কিছু ক্লান্ত অনুভৱ কৰিলেও কিন্তু মনটোৱে দুৰন্ত তৰুণৰ দৰে আগবাঢ়ি যাব বিচাৰে। পৰিতাপৰ কথা যে, বয়সৰ লগে লগে দুয়োগৰাকী শিল্পীয়ে ৰোগৰদ্বাৰা আক্ৰান্ত হৈ কিছু কষ্টৰ সন্মুখীন হ'বলগা হৈছে। শাৰীৰিক অসুস্থতাই যেন দুয়োজনকে সাঙুৰি লৈছে। তাৎপৰ্যপূৰ্ণ যে, বৰেণ্য শিল্পী দুয়োগৰাকীৰ জীৱন দৰ্শন উঠি অহা প্ৰজন্মৰ বাবে অনুকৰণীয়।

গুৱাহাটী বেলতলাস্থিত ঘৰলৈ গৈ আমি শিল্পী দুয়োগৰাকীৰ জীৱনৰ খবৰ লৈছিলোঁ। বহু কথাই তেখেতসকলে আমাৰ লগত বিনিময় কৰিছিল। সঁচাকৈয়ে আমি ধন্য হৈছিলোঁ। প্ৰসংগক্ৰমে আমি সোধা কিছু প্ৰশ্নৰ উত্তৰ তেখেতসকলে এনেদৰে দিছিল—

**আমাৰ প্ৰশ্ন** ঃ বাইদেউ নমস্কাৰ। বাইদেউক সেৱা জনাই সুধিলোঁ —আপোনাৰ ভালনে?

**দীপালী বৰঠাকুৰ** ঃ (দুৰ্বল কণ্ঠস্বৰেৰে ক'লে) নমস্কাৰ। বহক। মোৰ ভাল নহয়।

**আমাৰ প্ৰশ্ন** ঃ আপুনি কেতিয়াৰপৰা সংগীত এৰিছে আৰু কিয়?

**দীপালী বৰঠাকুৰ** ঃ ১৯৬৮ চনৰপৰা মই অসুস্থ আৰু তেতিয়াৰপৰাই মই সংগীত এৰিছোঁ।

**আমাৰ প্ৰশ্ন** ঃ আপোনাৰ অসুস্থতাৰ খবৰ কোনোবা শিল্পী-সাহিত্যিকে লয়নে?

**দীপালী বৰঠাকুৰ** ঃ শিল্পী-সাহিত্যিকসকলে মোৰ খবৰ লয়। ঘৰত আহে। মোৰ লগত কথা পাতে। ভূপেন হাজৰিকাই মোক বৰ মৰম কৰিছিল। তেখেতে ঘৰত আহি খবৰ লৈছিল প্ৰায়েই। মৃত্যুৰ ছমাহ আগতেও তেখেতে আহি মোৰ খবৰ কৰিছিল। তেখেতে কৈছিল —'তই গান নোগোৱাকৈ কেনেকৈ আছা?' আশীৰ্বাদ দিছিল মোক।

**আমাৰ প্ৰশ্ন** ঃ নতুন প্ৰজন্মৰ কোন শিল্পীয়ে আপোনাৰ খবৰ লয়?

**দীপালী বৰঠাকুৰ** ঃ জুবিন গাৰ্গ আহে কেছেট দিবলৈ। মাজে মাজে ফোনযোগে খবৰ লয় মোৰ।

**আমাৰ প্ৰশ্ন** ঃ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপোনাৰ ক'বলগীয়া?

**দীপালী বৰঠাকুৰ** ঃ বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাত গুৰুত্ব দিব লাগে। টিভি/চিনেমা আদিৰ ওপৰত বেছি সময় দি থাকিলে ভাল নহয়। টিভিৰ বছা বছা Programmeহে ছাত্ৰ-ছাত্ৰীয়ে চাব লাগে।

**আমাৰ প্ৰশ্ন** ঃ বৰ্তমানৰ অভিভাৱকসকলৰ প্ৰতি...?

দিপালী বৰঠাকুৰ ঃ অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীৰ সদায় যত্ন ল'ব লাগে। সমাজখন আধ্যাত্মিকতাৰে পৰিচালিত কৰিব লাগিব। তেতিয়াহে উন্নতি হ'ব।

আমাৰ প্ৰশ্ন ঃ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপোনাৰ মন্তব্য?

দীপালী বৰঠাকুৰ ঃ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ আদৰ্শেৰে ছাত্ৰ-ছাত্ৰীসকল অনুপ্ৰাণিত হ'ব লাগিব। বৰগীত চৰ্চাৰ ওপৰত গুৰুত্ব দিব লাগে। সমাজখন আধ্যাত্মিক ভাবত গতি কৰাত সহায়ক হয়। আন আন গীত আহৰণ কৰিব লাগিব।

আমাৰ প্ৰশ্ন ঃ আপুনি চৰকাৰী সহায়প্ৰাপ্ত হৈছেনে?

দীপালী বৰঠাকুৰ ঃ তেনে কোনো চৰকাৰী সহায় পোৱা নাই। অলপতে অসমৰ সাংস্কৃতিক মন্ত্ৰী শ্ৰীপ্ৰণতি ফুকন আহি খবৰ লৈছে। ঘৰুৱা কাম-কাজ কৰাৰ বাবে এগৰাকী মানুহ দিয়াৰ কথা কৈছিল। অহা নাই এতিয়াও। মুখ্যমন্ত্ৰীয়ে মোৰ জন্মদিনত খবৰ লয়। চৰকাৰী মানুহ পঠিয়াই শুভেচ্ছাসহ কিছু খোৱা বস্তু দিয়ে।

আমাৰ প্ৰশ্ন ঃ বঁটাপ্ৰাপ্ত সম্পৰ্কত জনাবনে?

দীপালী বৰঠাকুৰ ঃ এতিয়ালৈ বঁটা পাইছোঁ —কনকলতা বৰুৱা এৱাৰ্ড, পাৰ্বতিপ্ৰসাদ বৰুৱা বঁটা, ৰূপকোঁৱৰ শিল্পী বঁটা, পদ্মশ্ৰী লগতে আইদেউ সন্দিকৈ বঁটা।

আমাৰ প্ৰশ্ন ঃ মহাশয় নমস্কাৰ! আপোনাৰ পিতৃ-মাতৃ সম্পৰ্কত অনুভৱ?

নীলপৱন বৰুৱা ঃ নমস্কাৰ। মোৰ পিতৃ কবি বিনন্দ চন্দ্ৰ বৰুৱা, মাতৃ লাৱণ্যপ্ৰভা বৰুৱা। মই সদায় মা-দেউতাৰ লগত থকা যেন অনুভৱ কৰোঁ। দেউতা Ideology থকা সৎ মানুহ আছিল। মা সহজ-সৰল স্বভাৱৰ আছিল। দেউতাই বেয়া পোৱা কাম আমি কেতিয়াও কৰা নাছিলোঁ।

আমাৰ প্ৰশ্ন ঃ আপুনি কেতিয়াৰপৰা শিল্প সাধনা কৰিছে?

নীলপৱন বৰুৱা ঃ শান্তি নিকেতনত পঢ়িছিলোঁ; বিশ্বভাৰতী Universityত। ১৯৬১ চনৰপৰাই ছবি আঁকা কাম কৰি আহিছোঁ। বিশিষ্ট শিল্পী নন্দলাল বসু, বিনোদ বিহাৰী মুখাৰ্জীৰ সান্নিধ্য লাভ কৰিছোঁ। নামী তথা দামী শিল্পী শ্ৰদ্ধেয় শোভা ব্ৰহ্মা আৰু বেণু মিশ্ৰৰ সৈতে কাম কৰি ধন্য হৈছোঁ।

আমাৰ প্ৰশ্ন ঃ সুখ-দুখৰ অনুভৱ কৰেনে?

নীলপৱন বৰুৱা ঃ মানুহৰ সহৃদয়তাই মোৰ জীৱনৰ সমল। কৰ্মই ব্ৰত। কৰ্মৰ মাজেৰেই সুখ অনুভৱ কৰোঁ। এই পৃথিৱীত ক্ষুদ্ৰ ভাগহে কৰিছোঁ — সেয়াই সুখৰ অনুভূতি। কেতিয়াও কোনো কাৰণতে দুখ অনুভৱ নকৰোঁ। শিল্পচৰ্চা কৰি যাম জীৱনৰ শেষলৈকে।

আমাৰ প্ৰশ্ন ঃ আপোনাৰ পত্নী দীপালী বৰঠাকুৰ অসুস্থ। চিকিৎসাৰ ব্যৱস্থা কেনেদৰে লৈছে জনাবনে?

নীলপৱন বৰুৱা ঃ পত্নীৰ চিকিৎসা কৰি আছোঁ। বৰ্তমান নাৰ্ভৰ বেমাৰত ভুগি আছে। বিশেষভাৱে গুৱাহাটীৰ পি. এন. শৰ্মা আৰু সাৰদী শৰ্মাৰ জীয়ৰীয়ে চিকিৎসাৰ বাবে প্ৰয়োজনীয় দৰব দিয়াৰ লগতে টকা-পইচা দি আছে প্ৰতি মাহে।

আমাৰ প্ৰশ্ন ঃ আপোনাৰ এই বয়সত কি অনুভৱ হয়?

নীলপৱন বৰুৱা ঃ মোৰ বৰ্তমান বয়স ৭৭ বছৰ চলি আছে। দীপালীৰ ৭১ বছৰ চলি আছে। ছবি আঁকি থাকিলে ৩০ বছৰ হোৱা যেন লাগে। যেন পূৰ্ণ যৌৱনপ্ৰাপ্তহে। আকৌ ছবি আঁকি নাথাকিলে বৃদ্ধত্ব অনুভৱ কৰোঁ।

আমাৰ প্ৰশ্ন ঃ আপোনালোকে চৰকাৰী সাহায্য লাভ কৰিছেনে?

নীলপৱন বৰুৱা ঃ চৰকাৰে আমাক পেঞ্চন দি আছে। মই পাওঁ প্ৰতি মাহে ২০০০/- টকা আৰু দীপালীয়ে পায় ৫০০০/- টকা।

আমাৰ প্ৰশ্ন ঃ এতিয়ালৈ আপুনি কি কি বঁটা লাভ কৰিছে?

নীলপৱন বৰুৱা ঃ কিছু বঁটা লাভ কৰিছোঁ। তাৰ ভিতৰত তৰুণ দুৱৰা এৱাৰ্ড, প্ৰণৱ বৰুৱা শিল্পী বঁটা, বিষ্ণু ৰাভা শিল্পী বঁটা আৰু Leo Advertising Award লাভ কৰিছোঁ।

(শেষত দুয়োগৰাকী শিল্পী-সাধকলৈ আমি সশ্ৰদ্ধ সেৱা জনালোঁ। মানুহৰ হৃদয়ত জীয়াই থাকক চিৰদিন-চিৰকাল —তাকেই কামনা কৰি বিদায় ল'লোঁ।) ❖❖❖

---

অন্তৰংগ আলাপত অংশগ্ৰহণ কৰিছিল ঃ

ড° প্ৰাণেশ্বৰ নাথ

অমৰজ্যোতি স্বৰ্গীয়াৰী



# শোভা ব্ৰহ্ম
# ৰং-তুলিকাৰ মানুহজন

**মমতাজ বেগম**
স্নাতক তৃতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান)

**শোভা ব্ৰহ্মা**ৰ জন্ম হৈছিল কোকৰাঝাৰ জিলাৰ ভুমুকা গাঁৱত। পিতৃ হৰিচৰণ ব্ৰহ্ম আৰু মাতৃ দেৱশ্ৰী ব্ৰহ্ম। অইন শিশুৰ দৰে উমলি-জামলি ল'ৰালি পাৰ কৰিলেও তাৰ মাজতে ধুবুৰীৰ সাপটগ্ৰাম স্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫০ চনত কটন কলেজত নামভৰ্তি কৰে। কটন কলেজত পঢ়ি থাকোঁতেই শোভা ব্ৰহ্মাই শিল্পকলাৰ জগতখনৰ সৈতে পৰিচিত হয়। সৰুতে অভিনেতা হোৱাৰ যি বাসনা মনৰ মাজত পুহি ৰাখিছিল, সেই বাসনা ত্যাগ কৰি এই জগতখনত একাণপতীয়াভাৱে আত্মনিয়োগ কৰে নিজক। হয়তো এনে কাৰণতে কটন কলেজৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈয়ো শিল্পকলাৰ সামগ্ৰিক ধাৰণা লাভৰ অৰ্থে কলিকতাৰ কলাভৱনত নামভৰ্তি কৰিবলৈ গুচি যায়। এই কলাভৱনতে তেওঁ গুৰু হিচাপে পাইছিল নন্দলাল বসু, ধীৰেন্দ্ৰ কৃষ্ণ দেৱ বৰ্মন, ৰামকিংকৰ বেইজ আদিক। এইসকল শিক্ষাগুৰুৰ সান্নিধ্যত ব্ৰহ্মাই শিল্পকলাৰ ক্ষেত্ৰখনত নিজক আৰু অধিক বিলীন কৰি দিয়াত সুযোগ পাইছিল।

শিল্পকলাৰ শিক্ষাগ্ৰহণ কৰি অহা পৰৱৰ্তী সময়ছোৱা ব্ৰহ্মাৰ বাবে আছিল অতি প্ৰত্যাহ্বানমূলক। কিয়নো অসমত শিল্পকলাৰ প্ৰণালীবদ্ধ চিন্তা-চৰ্চা হোৱা নাছিল ১৯৭৫ চন পৰ্যন্ত। কলিকতাত লাভ কৰা শিল্পকলাৰ শিক্ষাক আধাৰ হিচাপে লৈ ব্ৰহ্মাই গুৱাহাটীতো এনে প্ৰতিষ্ঠান স্থাপনৰ প্ৰচেষ্টা হাতত ল'লে কেইজনমান গুণী-জ্ঞানী ব্যক্তিৰ সহযোগত। এই সময়তে আৰ্টৰ এজন শিক্ষকৰূপে যোগদান কৰিছিল তাৰিণীচৰণ বহুমুখী ছোৱালী বিদ্যালয়ত। কিন্তু তেওঁ যি দৰমহা পাইছিল, সি অতিশয় নিম্নমানৰ আছিল। তথাপি সৰুৰেপৰা কিবা এক অদম্য বাসনাই সকীয়াই থকা— 'ব্ৰহ্মা, তই আগবাঢ়িব লাগিব। উপনীত হ'ব লাগিব শীৰ্ষ স্থানত' কথাষাৰকে সাৰোগত কৰি তেওঁ আৰ্টৰ শিক্ষকতাৰ লগতে



শিল্পকলাৰ অনুশীলনো অব্যাহত ৰাখিছিল।

মনৰ ইচ্ছা থাকিলে মনে ভবা কামটো এদিন নহয় এদিন হৈ উঠেই। শোভা ব্ৰহ্মাই যথেষ্ট ত্যাগ স্বীকাৰ কৰি এই চৰ্চা অব্যাহত ৰখাৰ সময়তে তেওঁলৈ আহিল এক অভাৱনীয় সুযোগ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি অধ্যয়ন বিভাগে ব্ৰহ্মাক এবছৰৰ বাবে জনজাতীয় শিল্প-পৰম্পৰা অধ্যয়নৰ বাবে

এটা বৃত্তি আগবঢ়ায়। এই সুযোগৰ সৎ ব্যৱহাৰ কৰি ব্ৰহ্মাই বড়ো, ডিমাচা আৰু ৰাভাসকলৰ জীৱনধাৰা, কাপোৰৰ ৰং, ফুলৰ চানেকী আদিৰ দিশত বিস্তৃত অধ্যয়ন কৰে। সৌভাগ্যক্ৰমে ১৯৬৪ চনৰ ৩ জানুৱাৰীত ৰাজ্য চৰকাৰে নিজৰ অধীনলৈ অনা চাৰু আৰু কাৰুকলাৰ প্ৰতিষ্ঠানৰ দায়িত্ব দিয়ে শোভা ব্ৰহ্মক। নিজৰ সততা আৰু নিষ্ঠাৰে এই দায়িত্ব কান্ধপাতি লৈ সৰু স্কুলখনক বৰ্তমানৰ আৰ্ট কলেজলৈ উন্নীত কৰে। চাৰু আৰু কাৰুকলাৰ প্ৰতি থকা অসমৰ চৰকাৰে আৰু জনসাধাৰণৰ আওকণীয়া মনোভাবক প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰি যিমানখিনি কষ্টৰ বিনিময়ত আজি এই পৰ্যায়ত কলেজখনক থিয় কৰালে, সি সঁচাকৈ প্ৰশংসনীয়।

শোভা ব্ৰহ্মাৰ আটাইতকৈ মন কৰিবলগীয়া গুণটো হ'ল মনৰ উদ্যম। যৌৱনৰ অদম্য শক্তিক তেওঁৰ বয়সেও হাৰ মনাব পৰা নাছিল। খুব কম সুযোগ-সুবিধা গ্ৰহণ কৰিও শোভা ব্ৰহ্মাই নিজৰ প্ৰতিভাক উদঙাই দিছিল কেৱল নিজৰ নিৰলস সাধনা আৰু একাগ্ৰতাৰ বলত।

শোভা ব্ৰহ্মাৰ শিল্পকলাই বৰ্তমান অশান্তজৰ্জৰ সমাজ জীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰাৰ প্ৰয়াস কৰিছিল। চৌদিশে ঘটি থকা হিংসা, হত্যাৰ ভয়ানক ৰূপৰ লগতে যন্ত্ৰণাগ্ৰস্ত অস্থিৰ মনোজগতখনো শোভা ব্ৰহ্মাই শিল্পকলাৰ মাধ্যমেৰে দাঙি ধৰাৰ উল্লেখযোগ্য কেইখনমান সাৰ্থক সৃষ্টি হৈছে— 'ডেথ', 'খেৰাই', 'ৰিলিজ', 'অফটাৰমেথ', 'টাৰমিনেল পিকচাৰ ১৯৯০', 'জোৱান দ্য আৰ্ক', 'ডেড বাৰ্ড', 'দ্য ফ'ক ডেন্স', 'দ্য চেপলিং' আদি।

জীৱনৰ কৰ্ম আৰু সাধনাৰ স্বীকৃতি হিচাপে ব্ৰহ্মাই কেইবাটাও উল্লেখযোগ্য বঁটা তথা সন্মান লাভ কৰিছে। তাৰ ভিতৰত ১৯৯১ চনত কমল কুমাৰী বৰুৱা ফাউণ্ডেচনৰপৰা আগবঢ়োৱা ৰাষ্ট্ৰীয় সাংস্কৃতিক সন্মান, ১৯৯৬ চনত অসম চৰকাৰৰপৰা বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ, ২০০২ চনত প্ৰণৱ বৰুৱা শিল্পী বঁটা অৰ্জন আদি উল্লেখযোগ্য। তদুপৰি ২০০১ চনত কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰপৰা সন্মানজনক 'ডি লিট' উপাধিও তেওঁ লাভ কৰিছিল। তেওঁৰ প্ৰকাশিত সাহিত্য গ্ৰন্থসমূহ— শিল্পকলাৰ নৱজন্ম, জীৱন আৰু চিত্ৰকলা, লিঅ'নাৰ্ডো ডা ভিঞ্চি, ভাৰতীয় শিল্পকলা (অনুবাদ), গোদান উদি (বড়ো) আদি।

ৰং আৰু তুলিকাৰে মননশীল আৰু সংবেদনশীল পৃথিৱীৰ সন্ধান দিয়া শিল্পীসকলৰ ভিতৰত শোভা ব্ৰহ্মা অন্যতম। অসমৰ চাৰু আৰু কাৰুকলাৰ জগতখনৰ প্ৰসাৰতাৰ মূলতে এইগৰাকী ব্যক্তিৰ অৱদান অনস্বীকাৰ্য। সুদীৰ্ঘ জীৱন তেওঁ এই ক্ষেত্ৰখনৰ সৈতে জড়িত হৈ অসমত শিল্পকলাৰ যিখিনি অগ্ৰগতি দিলে, সিয়ে এইগৰাকী ব্যক্তিক চিৰদিন মনত পেলাই থাকিব অসমীয়া মানুহে। ❖❖❖

---

# মহৎ লোকৰ বাণী

সংগ্ৰাহিকা ঃ
খনা বাণী বড়ো, উঃ মাঃ দ্বিতীয় বৰ্ষ

- কিবা এটা কাম শুদ্ধ বুলি জানিও যি মানুহে সেই কাম সাহসৰ অভাৱত কৰিব নোৱাৰে, তেৱেঁই প্ৰকৃত কাপুৰুষ।

  —কনফুচিয়াছ

- অসমীয়া ডেকাৰ মেধা, মনীষা, প্ৰতিভা নোহোৱা নহয়; কেৱল সাধনা আৰু তপস্যাৰ বিমুখতাৰ বাবেই আমি তাক ফুটাই তুলিব পৰা নাই।

  —জ্যোতিপ্ৰসাদ আগৰৱালা

- বিশ্বায়নে নাৰী আৰু শিশু কন্যাৰ ভৱিষ্যৎ অনিশ্চয়তাপূৰ্ণ কৰিছে। ইয়াক আমি সলনি কৰিব লাগিব।

  —হিলাৰী ক্লিণ্টন

- আনক অপমান কৰাৰ কাৰণে নিজৰ প্ৰতিভাৰ প্ৰয়োজন।

  —ৰবীন্দ্ৰনাথ ঠাকুৰ

# বন্ধুত্ব

নৱদ্বীপ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

হৃদয় সুবাসেৰে ভৰাই তোলা এটি শব্দ, অতি কোমল শব্দ— 'বন্ধুত্ব'। বুকুৰ নিভৃত কোণত স্বকীয় ঠাই আছে বন্ধুত্বৰ। ইয়াক কেৱল উপলব্ধিৰেহে স্পৰ্শ কৰিব পাৰি। এই স্পৰ্শৰ বাবে প্ৰয়োজন এখন নিকা হৃদয়ৰ। হৃদয়ৱানসকলেহে বন্ধুত্বৰ উম পাব পাৰে।

সংগ্ৰামৰ অন্য এটা নাম জীৱন। এই জীৱন সংগ্ৰামৰ কক্ষপথত আৱৰ্তন কৰিবলৈ সকলোকে সহযোগী তথা বন্ধুৰ প্ৰয়োজন। যাৰ সান্নিধ্যত নিমিষতে পাহৰি যাব পাৰি দুখ-বেদনা, হতাশা আৰু নৈৰাশ্যতা। এনে দুজন ব্যক্তিৰ মাজতহে প্ৰকৃত বন্ধুত্ব সম্ভৱ হ'ব পাৰে, যাৰ ভাবধাৰা হৃদয় নামৰ সাগৰ দুখনৰ অনুভূতিৰ মিল থাকে আৰু পৰস্পৰৰ মাজত থাকে অন্তৰভৰা মৰম আৰু বিশ্বাস। সঁচা বন্ধুত্বত দিয়া-লোৱাৰ হিচাপ নাথাকে; ইয়াত কেৱল ভগাই লোৱা হয়— সুখ-দুখ, হাঁহি-কান্দোন সকলোবোৰ। সঁচা বন্ধুত্বৰ অন্তৰত থকা অকৃত্ৰিম সৰলতা, কোমল অনুভূতিৰ সংমিশ্ৰণে দুজনৰ মাজত গঢ়ি তোলে এৰাব নোৱাৰা সমন্বয়ৰ সেতু।

সময় সলনি হৈছে, সলনি হৈছে মানুহৰ মনবোৰো। আজিৰ একবিংশ শতিকাৰ যান্ত্ৰিক সভ্যতাত মানুহ ব্যস্ত হৈ পৰিছে নিজক লৈ। এই ব্যস্ততাই মানুহক মানুহৰপৰা আঁতৰাই আনিছে। মানুহৰ সম্পৰ্কবোৰত ঘুণে ধৰিছে; কিন্তু শেষ হৈ যোৱা নাই। কেতিয়াবা এনে লাগে যেন মানুহৰ হৃদয় নামৰ অভিধানখনত আন্তৰিকতা, সহানুভূতি, সৰলতা— এইবোৰ শব্দ হেৰাই হৈছে। জীৱন পৰিক্ৰমাত হেৰাই গৈছে বন্ধুত্বৰ মূল্য। আজি বহুতৰ বাবে বন্ধুত্ব হৈ পৰিছে জোখাৰ মাপকাঠী। তথাপি আশাকৰোঁ বন্ধুত্বৰ আভাৱে জিলিকি উঠক এখন পৃথিৱী— য'ত থাকিব শেৱালিৰ মিঠা কোমলতা আৰু গোলাপৰ সুবাস। ❖❖❖

# যান্ত্ৰিক জীৱন

পংকজ সৰ্দাৰ
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

বিজ্ঞানৰ আৱিষ্কাৰে উন্নতিৰ চূড়ান্ত শিখৰ চুবলৈ সক্ষম হৈছে। এই সকলো আৱিষ্কাৰৰ কেন্দ্ৰবিন্দু হ'ল মানুহ। মানুহে যন্ত্ৰৰ প্ৰয়োগ কৰিছে ঠিকেই; কিন্তু মানুহৰ জীৱনটোও যন্ত্ৰৰ নিচিনা প্ৰয়োগ হৈছে। যন্ত্ৰ এটাই অবিৰামভাৱে কাৰ্য সম্পাদন কৰি থাকে। তাৰ কোনো বিশেষ জিৰণি নাই। কিন্তু মানুহে নিজ ইচ্ছামতে সকলো কৰিব পাৰে। তথাপি মানুহৰ আহৰি নাই। বৰ্তমান মানুহ কৰ্মত ইমানে ব্যস্ত হৈ পৰিছে যে, নিজৰ দেশৰ বাবে, সমাজৰ বাবে, আনকি নিজৰ ল'ৰা-ছোৱালীৰ বাবেও সময় উলিয়াব নোৱাৰা হৈ পৰিছে। কিছুমানৰ বাবে এই কৰ্মব্যস্ততাৰ মূল উদ্দেশ্য হৈছে সমাজত এটা সম্ভ্ৰান্ত পৰিয়ালৰূপে স্বীকৃতি লাভ কৰা। এওঁলোকে ৰাতিপুৱা ল'ৰা-ছোৱালী উঠাৰ আগতে ওলাই গৈছে আৰু ৰাতি টোপনি যোৱাৰ পিচতহে ঘৰলৈ উভতি আহিছে। এওঁলোকৰ মতে ল'ৰা-ছোৱালীৰ কোনো অভাৱ যাতে নহয়, তাৰ প্ৰতি দৃষ্টি ৰখাটোৱেই একমাত্ৰ কৰ্তব্য; কিন্তু ল'ৰা-ছোৱালীৰ বাবে আটাইতকৈ ডাঙৰ বস্তু যে মাক-দেউতাকৰ মৰম-ভালপোৱা, সেয়া কৰ্মব্যস্ততাৰ মাজত থাকি সিহঁতে পাহৰি গৈছে। গতিকে এই যান্ত্ৰিক জীৱন যাপনৰ ফলস্বৰূপে ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ মৰম-স্নেহৰপৰা বঞ্চিত হৈছে।

বৰ্তমান সমাজ ব্যৱস্থাৰ হেঁচাত পৰি ল'ৰা-ছোৱালীবোৰে যান্ত্ৰিক জীৱন যাপন কৰিবলৈ বাধ্য হৈছে। সকলো মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীয়ে ভাল ফলাফল কৰাটো বিচাৰে। ইয়াৰ বাবে মাক-দেউতাকে ল'ৰা-ছোৱালীৰ আজৰি সময়খিনিতো ঘৰুৱা শিক্ষাৰ ব্যৱস্থা কৰি ব্যস্ত কৰি ৰাখে। যাৰ পৰিণতিস্বৰূপে ল'ৰা-ছোৱালীৰ মনত এক মানসিক চাপৰ সৃষ্টি হয়। আচলতে এয়াই ল'ৰা-ছোৱালীৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ নেকি? পঢ়া-শুনা কৰাই ল'ৰা-ছোৱালীৰ একমাত্ৰ কাম নেকি? এয়াই যন্ত্ৰৰ দৰে পৰিচালিত যান্ত্ৰিক জীৱন। ❖❖❖

# ভৱিষ্যতে আনিব সুখ

ঋতুপৰ্ণ দাস
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)

মানুহৰ মন প্ৰাণচঞ্চল। মানুহ সুখৰ পূজাৰী। সুখ বা দুখ বুলি কিন্তু কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। সুখ বিচাৰোঁতে আমাক কিছুমান বস্তুৰ প্ৰয়োজন হয়। আমি যদি সেইখিনি পায়ো যাওঁ, তথাপি কিন্তু নাভাবোঁ যে আমাৰ জীৱনটো সুখেৰে পৰিপূৰ্ণ। আমি সদায় নোপোৱাৰ বেদনাতে কটাওঁ। সেই কাৰণে চোপেন হাওৱেৰে কৈছিল— "আমাৰ যি আছে সেইখিনিৰ বিষয়ে কদাচিৎভাৱে ভাবোঁ আৰু যি নাই, তাৰ বিষয়ে ভাবি ভাবিয়ে আমি জীৱনটো কটাওঁ।" সেই কাৰণে আমাৰ জীৱনত সুখ পায়ো আমি সুখী নহওঁ। ল'ৰালিকালত সমনীয়াৰ লগত কৰা খেল-ধেমালিৰ মাজত আমি পৃথিৱীৰ আটাইখিনি সুখ পাওঁ; কিন্তু আমি এই সৰুকালত ভাবোঁ, ডাঙৰ হৈ আমি এইটো এইটো কৰিম, সেইটো কৰিম বুলি ভাবি সুখৰ সন্ধানত কটাওঁ। বিশ্ববিখ্যাত লিখক ডেল কাৰ্ণেগীয়ে কৈছে যে, সকলোতকৈ আৰামদায়ক অৱসৰ বিনোদন হ'ল সুস্বাস্থ্য, টোপনি, সংগীত আৰু অনাবিল হাঁহি। ভগৱানৰ ওপৰত বিশ্বাস ৰাখক, সংগীতক ভালপাওক আৰু জীৱনৰ মজাৰ দিনটো উপভোগ কৰক। তেনেহ'লে সুস্বাস্থ্য আৰু সুখ আপোনাৰ আয়ত্তত আহিব। সুখ আমাৰ জীৱনত সদায়ে আছে। সেইটো ধৰি ৰাখিবলৈ কালিদাসৰ এটি কবিতাৰ দুশাৰী সদায় মনত ৰাখিব লাগিব। সেয়া হ'ল—

'আজিৰ দিনটোলৈ চোৱা,
আজিৰ দিনটোতে সকলো আছে— ইয়াতে আছে জীৱনৰ পৰিপূৰ্ণতা।' ❖❖❖

# মিউজিক থেৰাপীৰ উপকাৰিতা

সৌৰভ ৰাভা
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

মিউজিক থেৰাপীৰ অসমীয়া অৰ্থ— সংগীত চিকিৎসা। কিন্তু এই চিকিৎসা পদ্ধতিটো গোটেই বিশ্বজুৰি মিউজিক থেৰাপী হিচাপেই জনপ্ৰিয় হৈছে। সি যি কি নহওক, চিকিৎসাবিজ্ঞানী আৰু মনোবিজ্ঞানীসকলৰ বহু গৱেষণাই এই সিদ্ধান্তত উপনীত হৈছে যে, সংগীতে মানুহৰ শাৰীৰিক, মানসিক, সামাজিক আৰু বৌদ্ধিক উদ্‌গতিত সহায় কৰে। যোগ আৰু ধ্যানৰদ্বাৰা দেহৰ মাংসপেশীৰ বিষ নিৰাময় কৰিব পৰা যায়। সংগীতে একেদৰে কেন্সাৰ ৰোগীৰ বিষ-যন্ত্ৰণা বহু পৰিমাণে লাঘৱ কৰে। মনোযোগ বিসংগতি থকা শিশুক সুস্থ আৰু স্বাভাৱিকভাৱে মনোযোগী কৰি তোলাত সহায় কৰে। যিসকল হতাশাগ্ৰস্ততাৰ বলি, তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ উপৰি সংগীতে—

- ➪ শ্বাস-প্ৰশ্বাস আৰু হৃদস্পন্দন সন্তুলন ৰক্ষা কৰে।
- ➪ দীৰ্ঘদিনীয়া মানসিক চাপ আৰু শাৰীৰিক অসুস্থতা দূৰ কৰাত সহায় কৰে।
- ➪ ইতিবাচক মন গঢ়াত সহায় কৰে, অস্থিৰতাক দূৰলৈ ঠেলি দিয়ে।
- ➪ ৰক্তচাপ নিয়ন্ত্ৰণ কৰি ষ্ট্ৰোকৰ দৰে মাৰাত্মক সমস্যা নিলগাই ৰাখে।
- ➪ দেহৰ ৰোগ প্ৰতিৰোধী শক্তি বৃদ্ধি কৰে।

মিউজিক থেৰাপী দুই ধৰণৰ— প্ৰত্যক্ষ আৰু পৰোক্ষ। দুয়োটা ৰোগ নিৰাময় আৰু শাৰীৰিক সুস্থতাৰ ক্ষেত্ৰত সহায় কৰে। প্ৰত্যক্ষ পদ্ধতিত ৰোগীয়ে নিজে সংগীতৰ অনুষ্ঠানত অংশ ল'ব পাৰে। পৰোক্ষ পদ্ধতিত ৰোগীৰ বাবে সংগীত শুনাৰ ব্যৱস্থা কৰা হয়। বিভিন্ন গৱেষণাত পৰোক্ষ পদ্ধতিৰ কাৰ্যকাৰিতা অধিক বুলি প্ৰমাণিত হৈছে। সাধাৰণতে শিশু আৰু স্নায়ুৰোগীৰ ক্ষেত্ৰত প্ৰত্যক্ষ পদ্ধতি প্ৰয়োগ কৰা হয়। কথা কোৱাত সমস্যা থকা শিশুৰ ক্ষেত্ৰতো মিউজিক থেৰাপীৰ প্ৰত্যক্ষ পদ্ধতি প্ৰয়োগ কৰি সুফল পোৱা যায়। এই থেৰাপীয়ে কথনশৈলী উন্নত কৰাত সহায় কৰে। গৱেষণাত প্ৰমাণ হৈছে যে, ভাৰতীয় ধ্ৰুপদী সংগীতেও ৰোগ নিৰাময়ত সহায় কৰে। ভালেসংখ্যক ৰাগ সংগীতে কেন্দ্ৰীয় স্নায়ু ৰোগ নিৰাময়ত কাৰ্যকৰী ভূমিকা পালন কৰে। স্নায়ুৰোগ চিকিৎসা কেন্দ্ৰবোৰত স্নায়ুৰোগীক উজ্জীৱিত কৰিবলৈ ৰোগীৰ কাণৰ কাষত মোবাইল ফোনেৰে গান শুনোৱাটো এতিয়া এক প্ৰাত্যহিক দৃশ্য। ❖❖❖

**"বিশ্বাস হৈছে কাহিলি পুৱাৰ ঠিক প্ৰাকক্ষণত গীত গোৱা এবিধ চৰাই।"**

—ৰবীন্দ্ৰ নাথ ঠাকুৰ

# অন্তহীন বেদনাৰ এক সময়

দিগন্ত কুমাৰ দাস
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ

এক গতানুগতিক দিন। বিয়লিলৈকে সকলো স্বাভাৱিক আছিল। মই প্ৰায় দুঘণ্টামান পলমকৈ বাতৰিটো পালোঁ। এনে এক বাতৰি, যিটো লক্ষ লক্ষ জনতাই কাহানিও শুনিব খোজা নাছিল। অৱশেষত সেই অসহনীয় দুঃসংবাদটোৱেই আহিল। হয়, লুইতৰ দুয়োপাৰ উকা কৰি এই জীৱনৰ মায়া এৰি অজান্তিমুলুকলৈ গুচি গ'ল আমাৰ সকলোৰে হিয়াৰ এফাল ভূপেনদা। আধুনিক অসমৰ প্ৰাণ প্ৰতিষ্ঠাতা গৰাকী, প্ৰাণৰ শিল্পীগৰাকী আৰু নাই— এই কথা অন্তৰেৰে মানি ল'ব পৰা নাই। তথাপি এয়াই যে সত্য। এক কঠিন বাস্তৱ।

অসমীয়াৰ হাড়ে-হিমজুৰে সোমাই থকা ভূপেনদাৰ যেন মৃত্যু হ'বই নোৱাৰে— এনেকুৱা এক ধাৰণাই সদায় মোৰ মনত ক্ৰিয়া কৰি থাকে। কাৰণ ভূপেনদাবিহীন অসম এখন কল্পনা কৰিব পাৰি জানো? গুণমুগ্ধ কবিয়ে ইতিমধ্যে ভূপেনদাক উদ্দেশ্যি কৈছে— "তোমাৰ কণ্ঠ বাদ দি মই মোৰ জন্মভূমিৰ নক্সা আঁকিব নোৱাৰোঁ।" শৈশৱৰ কথা কৈছোঁ— গায়ক মানেই জানিছিলোঁ এগৰাকীক। সেইগৰাকীয়েই হ'ল আমাৰ হিয়াৰ আমঠু ভূপেনদা। গীত শুনিছিলোঁ। গীতবিলাক অতি হৃদয়স্পৰ্শী। অথচ বহু তেনে গীতৰ অৰ্থকেই বুজা নাছিলোঁ। আনকি আজিও নাজানো।

ভূপেনদাৰ এই মহাপ্ৰস্থানৰ লগে লগে মোৰ মনত বহু প্ৰশ্নই জুমুৰি দি ধৰিছে। নিজকে প্ৰশ্ন কৰিছোঁ— ভূপেনদাৰ দৰে এনে গভীৰ অৰ্থপূৰ্ণ, মানৱ জীৱনৰ সুখ-দুখ, আৱেগ, প্ৰেম-বিৰহ, জাতীয়তাবাদৰ মৌল মিশ্ৰিত গীত কোনে ৰচনা কৰিব, সুৰ দিব আৰু অন্তৰ চুই যোৱাকৈ কণ্ঠদান কৰিব? ইমান স্বতঃস্ফূৰ্তকৈ জীৱন সংগ্ৰামৰ ইতিহাসৰ কথা কোনে ক'ব? দূৰদৰ্শনৰ পৰ্দাত দেখিছোঁ ভূপেনদাৰ নিথৰ দেহ। কিন্তু দুচকুক বিশ্বাস কৰিব পৰা নাই, সেয়া সঁচাকৈয়ে সুধাকণ্ঠগৰাকীৰ প্ৰাণহীন দেহনে?

মোৰ মনত আজি এনেধৰণৰ বহু প্ৰশ্নই অৱতাৰণা হৈছে। প্ৰশ্ন হৈছে— কোনে শুই থকা বা এলেহুৱা বুলি দুৰ্নাম থকা অসমীয়া জাতিটোক 'আমি অসমীয়া নহওঁ দুখীয়া' আদি গীতৰ জৰিয়তে কৰ্মপ্ৰেৰণা যোগাব? আকৌ মনত প্ৰশ্ন হৈছে— 'অগ্নিযুগৰ ফিৰিঙতি' গীতৰ জৰিয়তে শোষণমুক্ত সমাজ গঠনৰ আধৰুৱা সংগ্ৰামৰ পূৰ্ণ ৰূপ দিবলৈ ভূপেনদাৰ পুনৰ আৱিৰ্ভাৱ হ'বনে? ভূপেনদা, তোমাৰ সকলো সৃষ্টিয়েই দেখোন অতুলনীয়। সেইবিলাকৰ মানদণ্ড জুখিবলৈ কোনো যেন মাপকাঠীয়েই নাই। তোমাৰ সৃষ্টিত যি নাই, সেয়া হয়তো পৃথিৱীৰ মাটি, পানী, বায়ুতো নাই। মাৰ্ক টোৱেইনৰপৰা লচমী-ৰংমনলৈ কি নাই তোমাৰ সৃষ্টিত! সকলো জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু বান্ধিবলৈ কত যে মনোমোহা গীত তুমি ৰচিলা আৰু গালা!

ঘৰৰ বাহিৰলৈ ওলাই গৈছোঁ। নিত্য কোলাহলপূৰ্ণ পৰিৱেশৰ পৰিৱৰ্তে চৌপাশে বিৰাজ কৰিছে এক অস্বাভাৱিক নিস্তব্ধতা। জনগণ হৈ পৰিছে নিষ্প্ৰাণ। ব্যথিত হৃদয়ক প্ৰবোধ দিবলৈ আকৌ এবাৰ ভূপেনদাৰ বিষাদভৰা অথচ মধুৰ গীতসমূহ শুনিছোঁ। ভূপেনদাক কটু সমালোচনা কৰাজনেও অকপটে কৈছে— 'অসমীয়া সাংস্কৃতিক জীৱন গুৰিয়ালবিহীন হৈ পৰিল।' সঁচাকৈয়ে অসমীয়া জাতীয় জীৱনৰ আজি এক বুজাব নোৱাৰা বেদনা।

ভূপেনদাৰ মৃত্যু মানে হ'ল অবিৰত সুন্দৰৰ সৃষ্টিৰ এক পৰিসমাপ্তি। সেয়েহে ভূপেনদা, তোমাৰ মৃত্যু হ'ব নোৱাৰে। এয়া তোমাৰ কায়িক মৃত্যু। তুমি জীয়াই থাকিব লাগিব বিশ্ব মানৱতাৰ বাবে, ৰূপান্তৰৰ বাবে। কাৰণ ৰূপকোঁৱৰৰ ভাষাত— ৰূপান্তৰেহে জীৱন সুন্দৰ কৰে। ❖❖❖

---

*আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, কিন্তু এই পৃথিৱীত আটায়ে একেলগে ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।*

*—মাৰ্টিন লুথাৰ কিং*

# লণ্ডন অলিম্পিকত পদক বিজয়ী ভাৰতীয়

চম্পা পাইন
স্নাতক তৃতীয় বৰ্ষ



গগন নাৰং

**গগন নাৰং ঃ**

সদ্যসমাপ্ত লণ্ডন অলিম্পিকত ভাৰতৰ হৈ প্ৰথমটো পদক অৰ্জন কৰে শ্বুটাৰ গগন নাৰঙে। পুৰুষৰ দহ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত তেওঁ দখল কৰে ব্ৰঞ্জৰ পদক। দহটা শ্বটৰ ফাইনেলত মুঠতে ৭০১.১ পইণ্ট সংগ্ৰহেৰে নাৰঙে লাভ কৰে এই সফলতা। ২০১১ চনত দেশৰ সৰ্বোচ্চ ক্ৰীড়া সন্মান ৰাজীৱ গান্ধী খেলৰত্ন বঁটা লাভ কৰা এইগৰাকী শ্বুটাৰে ২০০৪ চনৰ এথেন্স আৰু ২০০৮ চনৰ বেইজিং অলিম্পিকতো ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।



বিজয় কুমাৰ

**বিজয় কুমাৰ ঃ**

২৬ বছৰীয়া বিজয় কুমাৰে দেশৰ হৈ এইবাৰৰ অলিম্পিকত দ্বিতীয়টো পদক অৰ্জন কৰে। ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল ইভেণ্টত তেওঁ ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হয়। ভাৰতীয় সেনাৰ চুবেদাৰ বিজয় কুমাৰে লাভ কৰা এই পদকটো হৈছে ভাৰতে সামগ্ৰিকভাৱে শ্বুটিঙত অৰ্জন কৰা চতুৰ্থটো অলিম্পিক পদক। ইয়াৰ পূৰ্বে ২০০৪ চনৰ বেইজিং অলিম্পিকত দহ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত অভিনৱ বিন্দ্ৰাই স্বৰ্ণ পদক আৰু এইবাৰৰ লণ্ডন অলিম্পিকতেই গগন নাৰঙে ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত দখল কৰিছিল ব্ৰঞ্জৰ পদক।



ছাইনা নেহৱাল

**ছাইনা নেহৱাল ঃ**

লণ্ডন অলিম্পিকত ভাৰতৰ হৈ তৃতীয়টো পদক অৰ্জন কৰে শ্বাটলাৰ ছাইনা নেহৱালে। ছাইনাই মহিলাৰ বেডমিণ্টনৰ ছিংগলছত ব্ৰঞ্জৰ পদক লাভ কৰে। বিশ্বক্ৰমৰ দ্বিতীয় স্থানৰ খেলুৱৈ চীনৰ ঝাং জিনে আঁঠুৰ আঘাতৰ বাবে খেল আধাতে এৰিবলগীয়া হোৱাত ছাইনাই লাভ কৰে ব্ৰঞ্জৰ পদক। বেডমিণ্টনত ভাৰতীয় খেলুৱৈয়ে লাভ কৰা এইটো হৈছে প্ৰথমটো অলিম্পিক পদক।

## এম. চি. মেৰীকম ঃ



এম. চি. মেৰীকম

লণ্ডন অলিম্পিকত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত কৰা হৈছিল মহিলাৰ বক্সিং প্ৰতিযোগিতা। ফ্লাইৱেইট (৫০ কেজি) শাখাত মণিপুৰৰ এম. চি. মেৰীকমে টিউনিছিয়াৰ মাৰৌৱা ৰাহালীক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। এনেদৰে পাঁচবাৰৰ বিশ্ব চেম্পিয়ন বক্সাৰগৰাকীয়ে ব্ৰঞ্জৰ পদক নিশ্চিত কৰে। অৱশ্যে ছেমিফাইনেলত তেওঁ ব্ৰিটেইনৰ নিকোলা আদামৰ হাতত পৰাস্ত হ'বলগীয়া হয়। এনেদৰে মেৰীকমৰ অলিম্পিকত স্বৰ্ণজয়ৰ আশা ভংগ হয়। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী খেলুৱৈ হিচাপে তেওঁ এই ব্ৰঞ্জৰ পদক লাভ কৰি ইতিহাস গঢ়ে। ইয়াৰ পূৰ্বে উত্তৰ-পূবৰ কোনো খেলুৱৈয়ে অলিম্পিকৰ পদক লাভ কৰা নাছিল।

## যোগেশ্বৰ দত্ত ঃ



যোগেশ্বৰ দত্ত

এইবাৰৰ অলিম্পিকত ভাৰতৰ হৈ পঞ্চমটো পদক অৰ্জন কৰে ৰেষ্টলাৰ যোগেশ্বৰ দত্তই। ৬০ কেজি ফ্ৰীষ্টাইল শাখাত তেওঁ ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উত্তৰ কোৰিয়াৰ জং মিয়ঙক পৰাস্ত কৰি মল্লযুঁজাৰুগৰাকীয়ে এই কৃতিত্ব অৰ্জন কৰে। হাৰিয়ানাৰ ছোনেপট জিলাৰ বাসিন্দা যোগেশ্বৰে ইয়াৰ পূৰ্বে ২০০৬ চনৰ ডোহা এছিয়ান গেমছত ব্ৰঞ্জ আৰু ২০১০ চনৰ দিল্লী কমনৱেল্থ গেমছত স্বৰ্ণপদক জয় কৰিছিল।

## সুশীল কুমাৰ ঃ



সুশীল কুমাৰ

লণ্ডন অলিম্পিকৰ অন্তিম দিনা সুশীল কুমাৰে ভাৰতৰ হৈ ষষ্ঠটো পদক অৰ্জন কৰে। মল্লযুঁজৰ ৬৬ কেজি ফ্ৰীষ্টাইল শাখাত তেওঁ দখল কৰে ৰূপৰ পদক। কাজাখস্তানৰ আজুবেক টানাটাৰ'ভক পৰাস্ত কৰি সুশীলে ফাইনেলত উপনীত হয় আৰু কমেও ৰূপৰ পদক নিশ্চিত কৰে। ফাইনেলত তীব্ৰ যুঁজ দিয়ো জাপানৰ টাটছুহিৰ য়নেমিটছুৰ হাতত পৰাস্ত হ'বলগীয়া হয় তেওঁ। তথাপি ক্ৰমাগত দুখন অলিম্পিকৰ ব্যক্তিগত শাখাত পদক জয় কৰা একমাত্ৰ ভাৰতীয় খেলুৱৈৰূপে পৰিগণিত হয় সুশীল কুমাৰ। ২০০৮ চনৰ বেইজিং অলিম্পিকত এইগৰাকী ৰেষ্টলাৰে দুৰন্ত প্ৰদৰ্শনেৰে কাজাখস্তানৰ লিয়নিড স্পিৰিড'ল'ভক পৰাস্ত কৰি প্ৰথমটো ব্ৰঞ্জৰ পদক জয় কৰিছিল।

❖❖❖

# জীৱন
# জীৱন বৰ অনুপম....

অৰ্চনা মহন্ত
স্নাতক তৃতীয় বৰ্ষ



- ১৯৭৩ চনৰ ২৪ এপ্ৰিলত মহাৰাষ্ট্ৰৰ এটা ব্ৰাহ্মণ পৰিয়ালত জন্ম হৈছিল শচীন ৰমেশ তেণ্ডুলকাৰৰ। তেওঁৰ পিতৃৰ নাম ৰমেশ তেণ্ডুলকাৰ আৰু মাতৃৰ নাম ৰজনী তেণ্ডুলকাৰ। শচীনৰ দুই ভাতৃৰ নামৰ নীতীন আৰু অজিত তেণ্ডুলকাৰ আৰু একমাত্ৰ ভগ্নী হৈছে সবিতা।
- শচীনৰ পিতৃ ৰমেশ তেণ্ডুলকাৰে মুম্বাইৰ কীৰ্তি কলেজত মাৰাঠী সাহিত্যৰ অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ পূৰ্বে তেওঁ সিদ্ধাৰ্থ কলেজতো অধ্যাপনা কৰিছিল। ৰমেশ তেণ্ডুলকাৰে নিজৰ প্ৰিয় সংগীতশিল্পী দেৱ বৰ্মনৰ নামেৰে নিজৰ পুত্ৰ শচীনৰ নামকৰণ কৰিছিল।
- শচীনৰ পিতৃ ৰমেশ তেণ্ডুলকাৰে 'Geetbhan' নামৰ এখন সাহিত্য সমালোচনাৰ গ্ৰন্থ লিখিছিল, যাৰ বাবে তেওঁ ৰাজ্যিক পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হৈছিল।
- শচীনৰ মাতৃ ৰজনী তেণ্ডুলকাৰে লাইফ ইন্সুৰেঞ্চ কৰ্পʼৰেশ্বন অব ইণ্ডিয়াত কাম কৰিছিল।
- মাষ্টাৰ ব্লাষ্টাৰৰ শিক্ষা জীৱন আৰম্ভ হৈছিল পূব বান্দ্ৰাৰ ইণ্ডিয়ান এডুকেশ্বন ছʼচাইটিজ নিউ ইংলিছ স্কুলত।
- ক্ৰিকেটত অধিক মনোনিৱেশ কৰাৰ স্বাৰ্থতেই নিউ ইংলিছ স্কুলৰপৰা শচীনে দাদৰৰ সাৰদাশ্ৰম বিদ্যা মন্দিৰলৈ স্কুল সলনি কৰিছিল। পিচত কলেজীয়া জীৱন আৰম্ভ কৰিছিল কীৰ্তি কলেজত।
- শচীনৰ জ্যেষ্ঠ ভাতৃ অজিত তেণ্ডুলকাৰে ৰুইয়া কলেজত পঢ়ি থকাৰ সময়ত চন্দ্ৰকান্ত পণ্ডিত আৰু লালচান্দ ৰাজপুতৰ দৰে ক্ৰিকেটাৰসকলৰ সৈতে ক্ৰিকেট খেলিছিল। পিচত অজিতেই শচীনক তেওঁৰ গুৰু ৰমাকান্ত আশ্ৰেকাৰৰ ওচৰলৈ প্ৰশিক্ষণৰ বাবে লৈ গৈছিল। 'The Making of a Cricketer : Formative years of Sachin Tendulkar in Cricket' নামৰ গ্ৰন্থখন অজিত তেণ্ডুলকাৰেই লিখি উলিয়াইছিল।
- পূব বান্দ্ৰাৰ কলা নগৰৰ কো-অপাৰেটিভ হাউছিং চৌহদৰ 'সাহিত্য সাহস'ত (Sahitya Sahawas) শচীনে শৈশৱৰ অধিক সময় অতিবাহিত কৰিছিল। ২০০১ চনত পশ্চিম বান্দ্ৰাৰ La Mer Building লৈ ঠিকনা সলাইছিল শচীনে। তাতেই তেওঁৰ প্ৰতিবেশী আছিল অভিনেত্ৰী ঐশ্বৰ্য ৰায় আৰু এডমেন প্ৰহ্লাদ কক্কৰ।
- ১৯৯০ চনত ইংলেণ্ড ভ্ৰমণ সামৰি ভাৰতীয় দল উপস্থিত হৈছিল মুম্বাই বিমানবন্দৰত। সেই বিমানবন্দৰতেই শচীনে প্ৰথমবাৰৰ বাবে লগ পাইছিল তেওঁৰ ভাবী পত্নী অঞ্জলিক।
- ৫ বছৰীয়া প্ৰেমৰ পিচত ১৯৯৫ চনৰ ২৪ মে'ত বিবাহ সম্পন্ন হৈছিল শচীন-অঞ্জলিৰ।
- ২২ বছৰ বয়সতেই বিয়াত বহিছিল শচীন। আমোদজনকভাৱে তেওঁৰ পত্নী অঞ্জলিৰ সেই সময়ত বয়স আছিল ২৬ বছৰ।
- মুম্বাইৰ জে জে হাস্পতালত শিশুৰোগ বিশেষজ্ঞ হিচাপে কাম কৰে শচীনৰ পত্নী অঞ্জলিয়ে।
- কেৱল শচীন আৰু তেওঁৰ ভাতৃ অজিতেই যে খেলৰ সৈতে

জড়িত, তেনে নহয়। শচীনৰ শহুৰেক আনন্দ মেহতাও খেলৰ সৈতে সক্ৰিয়ভাৱে জড়িত। সিমানেই নহয়, ব্ৰীজ খেলত সাত বাৰকৈ ৰাষ্ট্ৰীয় চেম্পিয়ন হোৱাৰো গৌৰৱ অৰ্জন কৰিছিল তেওঁ। গুজৰাটী উদ্যোগপতি আনন্দ মেহতা ক্ৰিকেটৰো একান্ত অনুৰাগী।

❖ শচীনৰ শাহুৱেকৰ নাম আন্নাবেল মেহতা। বাৰ্মিংহামত জন্মগ্ৰহণ কৰা এইগৰাকী ব্ৰিটিছ সমাজসেৱিকাই লণ্ডন স্কুল অব ইক'নমিক্সৰপৰা Social Administration বিষয়ত ডিপ্ল'মা লাভ কৰিছিল। ১৯৭২ চনৰপৰা তেওঁ মুম্বাইৰ বস্তি অঞ্চলৰ শিশুসকলৰ সহায়ৰ বাবে 'অপনালয়' নামৰ এটা বেচৰকাৰী সংস্থা চলাই আহিছে। এই ক্ষেত্ৰত শাহুয়েক আন্নাবেলক শচীনেও সহায় আগবঢ়াই আহিছে।


❖ ১৯৯৭ চনৰ ১২ অক্টোবৰত শচীন-অঞ্জলিৰ জীৱনলৈ আহিছিল প্ৰথমটি সন্তান। এই প্ৰথম কন্যা সন্তানটিৰ নাম ৰখা হৈছিল ছাৰা। এই নামটো ৰখাৰ অন্তৰালতো আছে মাষ্টাৰ ব্লাষ্টাৰৰ ক্ৰিকেটীয় সফলতাৰ কথা। কানাডাৰ টৰণ্টোত অনুষ্ঠিত ছাহাৰা কাপত সেই বছৰ (১৯৯৭ চনত) জয়ী হৈছিল ভাৰত। দলৰ অধিনায়ক আছিল শচীন। অধিনায়ক হিচাপে লাভ কৰা এই সফলতাৰ পিচত টুৰ্ণামেণ্টখনৰ নামেৰেই (ছাহাৰা) তেওঁ ৰাখিছিল জীয়াৰী 'ছাৰা'ৰ নাম।

❖ ১৯৯৯ চনৰ ২৪ ছেপ্টেম্বৰত জন্ম হৈছিল শচীন-অঞ্জলিৰ একমাত্ৰ পুত্ৰ সন্তান অৰ্জুনৰ।

❖ ২০১০ চনত মুম্বাই মাৰাথনত ভাগ লৈ আয়োজক কমিটিৰ বাবে ৫.৮৮ লাখ টকা সংগ্ৰহ কৰি দিয়া ছাৰা তেণ্ডুলকাৰলৈ সেই বছৰ আগবঢ়োৱা হৈছিল 'Youngest Dream Maker' সন্মান।

❖ ২০১০ চনত শচীনৰ পুত্ৰ অৰ্জুনে পুনেত অনুষ্ঠিত U-13 Cadency Trophyত ভাগ লৈছিল। সেইখন আছিল 'জুনিয়ৰ শচীন'-এ ভাগ লোৱা প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰিকেট টুৰ্ণামেণ্ট। পূব বান্দ্ৰাৰ 'মিগ ক্লাব'ৰ হৈ অৰ্জুনে নিয়মিতভাৱে ক্ৰিকেট খেলি আহিছে। কোনে জানে, হয়তো এদিন অৰ্জুনেও.....!!

❖ বীথোভেন, টম ক্ৰুজ, জিমি হেণ্ড্ৰিক্স, এলবাৰ্ট আইনষ্টাইন, কোবে ব্ৰায়াণ্ট, ৰাফেল নাডাল, ডেভিদ ভিয়া— এইসকল বিখ্যাত ব্যক্তিৰ সৈতে শচীনৰ এক অদ্ভুত মিল আছে। কি জানেনে? মাষ্টাৰ ব্লাষ্টাৰে বেটিং, বলিং আৰু থ্ৰ' কৰে সোঁহাতেৰে, কিন্তু লিখে বাওঁহাতেৰে। ক'ব পাৰি a corss-domonant (সব্যসাচী নহয় কিন্তু)। কিছু কামৰ বাবে সোঁহাত আৰু আন কিছু কামৰ বাবে শচীনৰ লগতে উপৰিউক্ত ব্যক্তিসকলেও বাওঁহাত ব্যৱহাৰ কৰে। Extraordinary gentleman !! ❖❖❖



# সংঘৰ্ষ

সঞ্জয় মেধি
স্নাতক দ্বিতীয় বৰ্ষ

দুৱাৰখন কোনোবাই জপাই দিলে। এতিয়া কি কৰা যাব? সৰু কোঠাটোত মনে মনে সোমালোঁ। কিন্তু এতিয়া ওলাই যোৱাৰ দেখোন বাটেই নাই। কোঠাটোত এখনেই দুৱাৰ। খিৰিকীও নাই বা অইন ফুটাও নাই। এইখিনি সময়ত মোৰ লগৰবোৰে হয়তো নাচি-বাগি ফুৰিছে। মই চিঞৰিলেও কোনেও শুনা নাপাব। যি নহওক দৰ্জাখন খুলিব পাৰি নেকি তাৰেই চেষ্টা এটা চলোৱা যাওক। প্ৰথমে দৰ্জাখন গাৰ সমস্ত শক্তিৰে ঠেলিলোঁ। নাই, এনেকৈ নহ'ব। হাত-ভৰিৰে দৰ্জাখনৰ ওপৰত প্ৰহাৰ কৰিলোঁ, আঁচুৰিলোঁ, চিঞৰিলোঁ; নাই, কোনো কাম নহ'ল। ইহঁত অহালৈকে ৰখিবও নোৱাৰি। ৰাতিপুৱাৰপৰা পেটত একো এটা পৰা নাই। কিবা পাম বুলিয়েইতো কোঠাটোত সোমাইছিলোঁ। নাই, একো নাই। ইহঁতে ওলাই গ'ল, কিন্তু কেতিয়া বা ঘূৰি আহে বা আজি নাহিবও পাৰে। ইহঁতক ৰখি ইয়াতে বহি থাকিবওতো নোৱাৰি। আহিলেইবা, যদি কোঠাটো খুলি মোক দেখে, তেতিয়া জানো মোক শুদাই এৰিব। নাই, মযেই বা তেতিয়া লগৰবোৰৰ আগত নাক উলিয়াম কেনেকৈ? এতিয়াতো কোনো উপায় নাই। কেনেবাকৈ দৰ্জাখন খুলিব পাৰিলেই ৰক্ষা। কিন্তু খোলা যায় কেনেকৈ? ইপিনে ৰাতিপুৱাৰপৰা একো নোখোৱাৰ বাবে গাটোও দুৰ্বল লাগিছিল।

পিচদিনা নিলয়ে দেখে যে, ড্ৰয়াৰত এটা নিগনি মৰি আছে। ❖❖❖

# শান্তি আৰু সংঘৰ্ষ

বিনোদ শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

শান্তি— এই দুটি আখৰৰ শব্দৰ মাজত সোমাই আছে সমস্ত ব্ৰহ্মাণ্ড। শান্তি আমাৰ সকলোৰে প্ৰিয়; কিন্তু এই শান্তিৰ বাবে চলিছে সংঘৰ্ষ, অঘাত সংঘৰ্ষ।

দৰাচলতে সুখৰ পিচত দুখ, সংঘৰ্ষৰ পিচতহে শান্তি। এইবোৰ যেন এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। আমাৰ এই সমস্ত পৃথিৱীখনত অনবৰতে চলি আছে সংঘৰ্ষ। এই সংঘৰ্ষবোৰ হৈছে শান্তিৰ কাৰণে। আমাক শান্তি লাগে; কিন্তু এনেদৰে সংঘৰ্ষবোৰ চলি থাকিলে আহিব জানো আমাৰ মাজলৈ শান্তিৰ বান? নাহে, কাহানিও নাহে। চিৰদিন চলি অহা শান্তিৰ বাবে কৰা যুঁজ। এই যুঁজ হ'ল ভাৰত আৰু পাকিস্তানৰ। কিন্তু ই জানো আনিব পাৰিছে শান্তি? নোৱাৰে, সংঘৰ্ষই কোনোদিনে শান্তিক লগত আনিব নোৱাৰে। এনেকুৱা হয়তো আৰু বহুতো উদাহৰণ আছে।

গতিকে সৰ্বশেষত উপনীত হোৱা ফলাফলটো হ'ল— শান্তি আৰু সংঘৰ্ষ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। আৰু এই দুয়োটা অবিহনে পৃথিৱীখনো নিৰৰ্থক। ❖❖❖

# হায় মানৱতা!

ধৃতিমা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

দেউতাই কৈ যোৱা ঘটনাটোৰ দৃশ্যপট এখন মোৰ চকুৰ সন্মুখত ভাহি উঠিল। কিমান বেদনাদায়ক হ'ব পাৰে সেই দৃশ্য....। এখন ঠেলা বেঁকা হৈ পৰি আছে। কাষত পৰি আছে দালি, চাউল আৰু তাৰ কাষতেই তেজেৰে লুতুৰি-পুতুৰি এজন বৃদ্ধ। যাৰ এটা উশাহত বাজি আছে জীৱনটো। কোনেও কিন্তু সেই শীৰ্ণকায় দেহটো উঠাই হাস্পতাললৈ নিয়াৰ কথা ভুলতো ভবা নাই। হায় মানৱতা। জীৱন যুদ্ধৰ সংঘৰ্ষত সেই বৃদ্ধজনে হাৰ মানি ৰ'ল। কথাবোৰ ভাবি শিল পৰা কপৌজনীৰ দৰে মূঢ়াটোত বহি আছিলোঁ। কিন্তু ঘড়ীটোলৈ চাই মুৰ ঘূৰি গ'ল। চাৰি বাজিল, মোৰ ইকোনোমিক্চৰ টিউচন। কাপোৰযোৰ পিন্ধি লৰালৰিকৈ ওলালোঁ। ৰাস্তাটো পাৰ হৈ এল. পি. স্কুলখন পাইছিলোঁ মাত্ৰ। এটা বিকট চিঞৰৰ শুনা পালোঁ। ঘূৰি চাই দেখোঁ এটা ছাগলী চিত হৈ পৰি আছে আৰু মোৰ সন্মুখেৰে তীব্ৰবেগী এখন গাড়ী পাৰ হৈ গ'ল। তাত থকা মানুহবোৰেও অট্টহাস্য কৰি সুৰাৰ ৰাগিত মত্ত। বেচেৰা ছাগলীটোৰ উঠা-নমা কৰা পেটটো বন্ধ হৈ গ'ল। মোৰ চকু ফাটি ওলাব খুজিলে। ওচৰলৈ গৈ ছাগলীটোক ৰাস্তাটোৰ সিপাৰে থৈ আহিলোঁ। মই আকৌ ঘূৰি খোজ ল'লোঁ মোৰ গন্তব্য স্থানলৈ আৰু আহোঁতে ভাবিলোঁ— পৃথিৱীখনৰপৰা মানৱতা আৰু শান্তি হেৰাই গ'ল। ❖❖❖

# $E=mc^2$ ভুল নেকি

মানব কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

যোৱা কেইমাহমান আগতে বাতৰি কাকতবোৰত প্ৰকাশ পাইছিল $E=mc^2$ সূত্ৰটো ভুল বুলি। কিন্তু কিমান সঁচা? সঁচাকৈয়ে ভুল নেকি $E=mc^2$?

বিশ্ববিশ্ৰুত বিজ্ঞানী আইনষ্টাইনে $E=mc^2$ সূত্ৰটো আৱিষ্কাৰ কৰিছিল। যাক পদাৰ্থ বিজ্ঞানৰ সূত্ৰসমূহৰ পিতৃ বুলি ক'লেও ভুল নহ'ব। তেওঁ শক্তি আৰু ভৰৰ সম্বন্ধটো দাঙি ধৰিছিল $E=mc^2$ সূত্ৰৰ সহায়ত। ইয়াত E মানে পদাৰ্থ কণা এটাৰ লগত জড়িত শক্তি, m মানে পদাৰ্থ কণা এটাৰ ভৰ আৰু c হ'ল পোহৰৰ বেগ। বিশ্ব-ব্ৰহ্মাণ্ডৰ সবাতোকৈ বেগী বস্তু হৈছে এই পোহৰৰ কণা। যাক আমি ফটন (Photon) বুলিও কওঁ। এই ফটনৰ ভৰ প্ৰায় শূন্য। সূত্ৰটোৰপৰা $c^2={}^E/_m$ ইয়াত পোহৰৰ বেগ সৰ্বোচ্চ হ'বলৈ হ'লে ইয়াৰ লগত জড়িত m ভৰৰ কণাবিধৰ ভৰ প্ৰায় শূন্য হ'ব লাগিব। এই শূন্য-ভৰৰ পোহৰৰ কণাবিধ হ'ল ফটন।

যদি এই সৰ্বোচ্চ বেগৰ কণা ফটনতকৈও বেছি বেগী কণা আৱিষ্কাৰ হয়, তেতিয়া $E=mc^2$ সূত্ৰটো ভুল বুলি প্ৰমাণিত হ'ব। আৰু যদি $E=mc^2$ সূত্ৰটো ভুল বুলি প্ৰমাণিত হয়, তেতিয়া বিজ্ঞানৰ দিশৰপৰা পৃথিৱীখন প্ৰথমৰপৰা আৰম্ভ কৰিব লাগিব। কাৰণ আইনষ্টাইনৰ আপেক্ষিকতাবাদকে ধৰি বিভিন্ন সূত্ৰৰ সমাধান এই $E=mc^2$ সূত্ৰৰ ওপৰত ভিত্তি কৰিয়েই জন্ম হৈছে।

ইউৰোপীয় বিজ্ঞানী একগোটে কেইমাহমান আগতে ঘোষণা কৰিছে যে, তেওঁলোকে পোহৰতকৈ বেগী কণা এবিধ আৱিষ্কাৰ কৰিছে। যাৰ নাম দিছে 'নিউট্ৰিনো'। আচলতে এই কণাবিধ পৃথিৱীত আগৰপৰাই আছিল; হয়তো উপযুক্ত যন্ত্ৰ-পাতিৰ অভাৱৰ বাবে ইয়াৰ বেগৰ জোখ লোৱা নাছিল। আমি সকলোৱে জানো পোহৰৰ বেগ বায়ু মাধ্যমত $3\times10^5$ কিঃ মিঃ প্ৰতি ছেকেণ্ডত। কিন্তু তেওঁলোকে প্ৰমাণ কৰিছে যে, এই নিউট্ৰিনো বুলি কোৱা কণাটোৰ বেগ হৈছে 300006 কিঃ মিঃ প্ৰতি ছেকেণ্ডত। অৰ্থাৎ পোহৰতকৈ প্ৰতি ছেকেণ্ডত 6 কিঃ মিঃ বেছি বেগত গতি কৰে এই নিউট্ৰিনোই।

ছাৰ্ণ (CHARN) নামৰ ইউৰোপৰ গৱেষণাদাৰ এটাৰপৰা ইটালীৰ গ্ৰাণ নামৰ গৱেষণাগাৰ এটালৈ 730 কিঃ মিঃ দীঘল পথছোৱাত নিউট্ৰিনো আৰু ফটন কণাৰ গতিবেগ পৰ্যবেক্ষণ কৰি প্ৰমাণ কৰে যে, পোহৰতকৈ অৰ্থাৎ ফটন কণাতকৈ এই নিউট্ৰিনোৰ বেগ বেছি প্ৰতি ছেকেণ্ডত 6 কিঃ মিঃ।

অৱশ্যে তেওঁলোকৰ এই আৱিষ্কাৰ বিজ্ঞানমহলে মানি ল'বলৈ বহুতো পৰীক্ষা-নিৰীক্ষা এতিয়াও বাকী আছে। গতিকে তেওঁলোকৰ এই আৱিষ্কাৰ কিমান গ্ৰহণযোগ্য হয়, সেইটো জানিবলৈ হয়তো এতিয়াও 5-6 বছৰ বাকী আছে। ❖❖❖

# বিফলতা-সফলতাৰ মূল চাবিকাঠি

"তুমি যদি সফল হ'ব খোজা, তেন্তে বিফলতাৰ হাৰ দুগুণে বৃদ্ধি কৰা।"
*—টম বাটচন*

- তুমি বিফল হ'বা বুলি ভবা কামবোৰ কৰাৰ অভ্যাস কৰা।
- দুৰ্যোগৰ বিৰাট মূল্য আছে।
- জীৱনত বিফলতাই অতি স্বাভাৱিক। কিন্তু বিফলতাকো আমি আমাৰ প্ৰচণ্ড অনুপ্ৰেৰণাৰ উৎসলৈ ৰূপান্তৰ কৰি ল'বলৈ জানিব আৰু শিকিব লাগিব।
- বিফলতাৰ পৰা পোৱা অভিজ্ঞতাৰ পৰা তুমি শিকিব লাগিব।
- চূড়ান্ত বিফলতাই হ'ল চূড়ান্ত সফলতাৰ মূল চাবিকাঠি।

সংগ্ৰাহক ঃ ইব্ৰাহিম আলী
স্নাতক তৃতীয় বৰ্ষ


# আটাইতকৈ পৰিষ্কাৰ গাঁওখনত এভূমুকি

জয়শ্ৰী ভূঞা
সহযোগী অধ্যাপিকা, নৃতত্ত্ব বিভাগ

ব্যস্ততাপূৰ্ণ জীৱনত অভ্যস্ত হৈ থকা মানুহৰ মন মাজে-সময়ে আমনিদায়ক হৈ পৰে। মনলৈ অৱসাদৰ ভাব আহে। সেয়েহে অতি ব্যস্ততাপূৰ্ণ জীৱনৰপৰা সাময়িকভাৱে পৰিত্ৰাণ পাবলৈ বন্ধৰ দিন উপভোগ কৰিবলৈ পৰিকল্পনা কৰে— ওলাই যায় নতুন পৰিৱেশৰ মাজলৈ আৰু ঘূৰি আহে সতেজতা আৰু নতুনত্বৰ সোৱাদ লৈ, যিয়ে প্ৰেৰণা যোগায় পুনৰ কৰ্মব্যস্ততালৈ ঘূৰি যাবলৈ।

বহুদিন আগতেই Discovery Channelত পাইছিলোঁ— এছিয়াৰ ভিতৰতে পৰিষ্কাৰ গাঁও এখন হৈছে মেঘালয়ৰ মাউলিনং (Mawlynnong) গাঁওখন। নৃতত্ত্বৰ ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাওঁতে বহুতো উন্নত, অনুন্নত গাঁৱলৈ গৈছোঁ। বহুতো পৰিষ্কাৰ গাঁও দেখিছোঁ। Televisionৰ Discovery Channelত প্ৰচাৰ হোৱা মেঘালয়ৰ এই গাঁওখন কি অৰ্থত পৰিষ্কাৰ, তাকে চাবলৈ মন গৈ আছিল। সেয়েহে একেৰাহে চাৰিদিন বন্ধ পাওঁতে মই, মোৰ ল'ৰা দুটি আৰু বাইদেউৰ সৈতে মাউলিনংলৈ যাবলৈ ঠিক কৰিলোঁ। ফেব্ৰুৱাৰী মাহত ট্ৰেভেৰা গাড়ী এখনেৰে আমি ৰাতিপুৱা ৭-০০ বজাত শ্বিলং অভিমুখে যাত্ৰা কৰিলোঁ। ৮-৩০ বজাত নংপোত নামিলোঁ। কিন্‌কিনীয়া বৰষুণত ভিজি ভিজি নংপোত পুৰী, তৰকাৰী, অমলেট আৰু মিঠাইৰে পুৱাৰ জলপান কৰাটো আমাৰ বহুদিনীয়া অভ্যাস। সিদিনাও তাৰ ব্যতিক্ৰম নহ'ল। মোৰ ল'ৰা পাপুলৰ বন্ধু মেহ্‌দি আৰু পাৰ্থ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ত (NEHU) অধ্যয়ন কৰি আছিল আৰু আমাৰ বাবে তাত ৰখি আছিল। সিদিনাখন আমি আগতে বুক কৰি থোৱা University Guest Houseৰ কোঠা দুটাত থাকিলোঁ। সৰল গছৰ মাজে মাজে নানা ৰঙৰ ফুলেৰে জাতিষ্কাৰ হৈ থকা University Campus চালে চকু ৰোৱা। Universityৰ লাইব্ৰেৰী, Computer lab, Science museum আদি চালোঁ। ৰাতিটো সুন্দৰ অতিথিশালাত কটালোঁ।

পিচদিনা পুৱা ৮-০০ বজাত আমি মাউলিনং অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। পাৰ্থ আগতে এবাৰ গৈছে। তেওঁ ক'লে— বাটত খাবলৈ বস্তু পোৱা নাযায়। সেয়ে আমি ফল-মূল, ব্ৰেড-বাটাৰ, কণী, পানী আদি যোগাৰ কৰি ল'লোঁ। শ্বিলঙৰপৰা প্ৰায় ৮০ কিঃ মিঃ দূৰৈত অৱস্থিত মাউলিনং গাঁওখন। সুন্দৰ ৰাতিপুৱা। ওখ-চাপৰ পাহাৰ আৰু মাজে মাজে নানা ৰঙৰ ফুলৰ বিস্তৃত অঞ্চল। বৰ ওখ ওখ পাহাৰ উঠাৰ সময়ত মেঘৰ মাজেৰে মাজে মাজে আমাৰ গাড়ীখন গৈ আছিল। বহুদিনৰ মূৰত প্ৰকৃতিৰ হাতৰ পৰশত আমি আত্মহাৰা হৈ পৰিছিলোঁ। কিছু সময় পিচত এখন সৰু ঠাই Pynwesta পালোঁগৈ। প্ৰায়বোৰ গাড়ী তাত ৰাখে। তাত স্থানীয় ফল-মূল, চাহ-মিঠাই পোৱা যায়। তাত একাপ একাপ চাহ



আৰু মিঠাই খালোঁ। স্থানীয় ফল-মূল কিনিলোঁ। পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ আৰু প্ৰায় ১১-০০ বজাত আমাৰ লক্ষ্যস্থান 'মাউলিংনং' গাঁওখন পালোঁগৈ।


পূব খাচী পাহাৰৰ এখনি সুন্দৰ গাঁও। গাড়ীৰপৰা নামিয়েই দেখিলোঁ এখন ফলক (Signboard)। তাত লিখা আছে গাঁওখনৰ নাম, মেপ, পৰিসীমা। ১০০০ হেক্টৰ মাটিকালিৰ গাঁওখনৰ

পৰিসীমা। তাতেই আমি দুজন মানুহক লগ পালোঁ আৰু গাঁওখন চাবলৈ অহাৰ কথা ক'লোঁ। এজনে আমাক আদৰি লৈ গ'ল। তেখেতৰ নাম চংবৰ খংথৰেম্ (Shanbor Khongthohrem), গাঁওখনৰ গাঁওবুঢ়াৰ তেওঁ ককায়েক। গাঁওবুঢ়াৰ নাম থম্‌লিন্ (Thomlin)। তেওঁৰপৰা জানিব পাৰিলোঁ গাঁওখনত ৯০টা পৰিয়ালে বাস কৰে। সকলো খাচী সম্প্ৰদায়ৰ অন্তৰ্গত আৰু খ্ৰীষ্টানধৰ্মী লোক। গাঁওখনৰ বেছিভাগ লোকেই কৃষিজীৱী। গাঁৱত এখন প্ৰাথমিক আৰু এখন মজলীয়া বিদ্যালয় আছে। স্বাস্থ্যকেন্দ্ৰ গাঁওখনত নাই। ৩৫ কিঃ মিঃ দূৰৈত এটা স্বাস্থ্যকেন্দ্ৰ আছে। চাকৰিয়ালৰ সংখ্যা গাঁওখনত যথেষ্ট আছে। তেওঁলোকে শ্বিলং বা ওচৰৰ আন ঠাইত কৰ্মৰত। গছ-গছনি যথেষ্ট আছে। তাৰ ভিতৰত তামোল গছ, তেজপাতৰ গছ আৰু কিছু টেঙাজাতীয় সৰু সৰু ফলৰ গছ দেখিলোঁ। খংথৰেমে জনালে গাঁওখনত এৰাৰুটৰ খেতিও হয়। আমি জনালোঁ যে, এৰাৰুটৰ বিস্কুট খাইছোঁ; কিন্তু এৰাৰুট দেখা পোৱা নাছিলোঁ। আমাক তেওঁ এৰাৰুট দুটা উপহাৰ দিলে। মাউলিনং পোৱাৰ দুই কিঃ মিঃ আগৰপৰাই দেখিছিলোঁ অসংখ্য ঝাড়ু। গাঁওখনতো দেখিলোঁ বহুতো ঘৰত ঝাড়ুবোৰ সুন্দৰকৈ বান্ধি বান্ধি ৰ'দত শুকুৱাই থৈছে। সেইবোৰ বাহিৰৰ বেপাৰী আহি কিনি লৈ যায়। গাঁওখনত ২-৩খন মান সৰু সৰু দোকান আছে। দুই কিঃ মিঃ দূৰত সাপ্তাহিক হাট বহে। তাৰপৰাই গাঁওবাসীয়ে লাগতিয়াল সামগ্ৰীবোৰ বেচা-কিনা কৰে।

গাঁওখনৰ ৯০ শতাংশ লোকেই শিক্ষিত আৰু ১০০



শতাংশই পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে সজাগ। গাঁৱৰ ভিতৰৰ বাট-পথ পকী। প্ৰত্যেকটো পৰিয়ালৰ পদূলিমুখত একোটাকৈ বাঁহেৰে সজা ডাষ্টবিন ওলোমাই থোৱা আছে। তেওঁলোকে খো (Khoh) বুলি কয়। গছপাত এখিলা সৰিলেও যিয়ে দেখে তেৱেঁই ডাষ্টবিনত



ভৰাই থয়। সেয়া যেন সকলোৰে বাবে অঘোষিত নিয়ম। গাঁৱৰ এখন কমিটিয়ে গাঁওখনৰ সকলোবোৰ দিশ চোৱা-চিতা কৰে। সকলো গাঁওবাসীয়ে সহযোগ কৰে। প্ৰায়ভাগ লোকেই বেংকৰ লগত লেনদেন কৰে। গাঁওবাসীৰ অৰ্থনৈতিক অৱস্থা ভাল। দুটা পৰিয়ালৰ দুখন গাড়ীও আছে। বিপদে-আপদে আন পৰিয়ালবোৰক এওঁলোকে সহায় কৰে। আমি গাঁওখন ঘূৰি ফুৰোঁতে এঠাইত ইংৰাজীতে লিখা দেখিলোঁ— "To wanderful sky view." এঘৰ মানুহৰ ঘৰৰ চৌহদত কেইবাজোপা গছত একা-বেঁকাকৈ বাঁহ আৰু বেতেৰে মজবুতকৈ জখলা বনাই থোৱা আছে। প্ৰায় ১০/১২ ফুট ওপৰলৈ গোটা বাঁহৰ টুকুৰাৰে এবিধ বিশেষ লতাৰে বন্ধা জখলাৰে উঠি গৈ আটাইতকৈ ওখ গছজোপাৰ আগভাগত সমান্তৰাল সমতল (Platform) এখন সজা আছে। তাৰপৰা গোটেই গাঁওখন আৰু ভাৰত-বাংলাদেশ সীমান্ত সুন্দৰকৈ প্ৰত্যক্ষ কৰিব পাৰি। গাঁওখনৰ এই মনোৰম দৃশ্য উপভোগ কৰাৰ বাবদ ১০ টকাকৈ বৰঙণি লয়। পৰ্যটকৰ বাবে নিশা উদ্‌যাপনৰ কাৰণে গাঁওখনৰ মাজত এটা অতিথিশালাও আছে। এইটো পৰম্পৰাগত খাচী ঘৰৰ আৰ্হিত বনোৱা হৈছে। সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশ। চাৰিওফালে গছ-গছনিৰে ভৰা এই অতিথিশালাত থকাৰ বাবদ ১০০০ টকা দিব লাগে। খোৱা-লোৱাৰ ব্যৱস্থাও আছে। তাৰ বাবে বেলেগ নিৰিখ।

গাঁওখনৰ প্ৰত্যেকজন মানুহেই নিজৰ পৰিয়াল আৰু গাঁওখনৰ প্ৰতি দায়বদ্ধ। গাঁওখনৰ আন এটা বিশেষত্ব হ'ল সম্পূৰ্ণ Sanitationৰ ব্যৱস্থা, অৰ্থাৎ বিজ্ঞানসন্মত পায়খানাৰ ব্যৱস্থা। খোৱাপানীৰ সু-ব্যৱস্থা আছে। প্ৰত্যেক ঘৰতেই নলীৰদ্বাৰা (Tap water) পানী যোগানৰ ব্যৱস্থা আছে। মানুহবোৰ অতিথিপৰায়ণ। গাঁওখনৰ মাজত থকা এখন ফলকৰপৰা গম পাইছিলোঁ যে, এটা বেংকে গাঁওখন adopt কৰি লৈছে। অতি কম সূতত অৰ্থনৈতিক